www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, OCTOBER 18, 2024 ■ শুকুৰবাৰ।। ১ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৮৪ Guwahati, Assam ।। মূল্যঃ এটকা

## চন্দন ব্ৰহ্ম হ'ল প্ৰমোদৰ উপদেষ্টা!

ই-সংবাদ, ১৭ অক্টোবৰঃ একালৰ হাগ্ৰামা মহিলাৰীৰ ঘনিষ্ঠ চন্দন ব্ৰহ্ম এতিয়া হৈ পৰিছে ২ পৃষ্ঠাত চাওক

## ৰায়দানক লৈ সুখী, এতিয়া 'কা' বাতিল হওক!

■ ড০ হীৰেন গোহাঁই

বহু শুভবুদ্ধি সম্পন্ন অসমীয়া মানুহৰ দৰেই মই এই ৰায়দানত অত্যন্ত সুখী হৈছো। ডাঙৰ সকাহ অনুভৱ কৰিছো। গোটেই অসমখন এতিয়া নানাধৰণৰ বিভেদ আৰু সংঘাতত জৰ্জৰিত। বিভিন্ন সম্প্ৰদায়, ধৰ্ম, শেষাংশ ২ পৃষ্ঠাত

## শ্বেখ হাছিনাৰ বিৰুদ্ধে জাৰি হ'ল গ্ৰেপ্তাৰী পৰোৱানা

ঢাকা, ১৭ অক্টোবৰঃ বিপদে লগ নেৰা হৈছে শ্বেখ হাছিনাৰ। জনতাৰ প্ৰতিবাদত সেও মানি ক্ষমতাৰ গাদী এৰি দেশৰ পৰা পলায়ন কৰিবলগীয়া হোৱাৰ পিছত এইবাৰ শেষাংশ ৭ পৃষ্ঠাত

## আকৌ ৰে'ল দুৰ্ঘটনা

ই-সংবাদ, ১৭ অক্টোবৰঃ এইবাৰ অসমত সংঘটিত হৈছে ৰে'ল দুৰ্ঘটনা। আগৰতলাৰ পৰা মুম্বাই অভিমুখী লোকমান্য তিলক এক্সপ্ৰেছৰ ইঞ্জিনসহ কেইবাটাও দবা শেষাংশ ২ পৃষ্ঠাত

## শ্বহীদ ন্যসত ফটকা ফুটালে আছুৱে

ই-সংবাদ, ১৭ অক্টোবৰঃ জাতীয় জীৱনৰ সৈতে জড়িত চাৰিটা দশকজোৰা এক বিতৰ্কৰ অৱসান ঘটিল। আজি উচ্চতম ন্যায়ালয়ে







প্ৰদান কৰা এক ঐতিহাসিক ৰায়ে অসমৰ এক জ্বলন্ত সমস্যা সমাধানৰ বাট মুকলি কৰিলে। ৰাষ্ট্ৰীয় শেষাংশ ৫ পৃষ্ঠাত

## আছু-কংগ্ৰেছৰ আদৰণি, মৌন বিজেপি ■ 'কা' বাতিলৰ দাবী তীব্ৰতৰ

# বিতৰ্ক শেষ! ১৯৫১ নহয়, ১৯৭১ৰ পক্ষে 'ছুপ্ৰিম' ৰায়দান



নতুন দিল্লী, ১৭ অক্টোবৰঃ সুদীৰ্ঘ অপেক্ষাৰ অন্তত আজি অসমৰ বিদেশী নাগৰিকৰ চিনাক্তকৰণ সন্দৰ্ভত এক ঐতিহাসিক ৰায় প্ৰদান কৰিছে উচ্চতম ন্যায়ালয়ে। অসমত বিদেশী নাগৰিক চিনাক্তকৰণৰ শেষাংশ ৬ পৃষ্ঠাত

## আলফালৈ গ'ল বিজেপিৰ যুৱ নেতা ডিব্ৰুগড়ৰ লিখন

ই-সংবাদ, চাবুৱা, ১৭ অক্টোবৰঃ সদৌ অসম ছাত্ৰ সন্থা পক্ষ হৈ থকা এক গোচৰত উচ্চতম ন্যায়ালয়ে ঐতিহাসিক ৰায় দিয়াৰ দিনটোতে ৩ পৃষ্ঠাত চাওক



## ১৯৮৫ৰ অসম চুক্তিলৈ ন্যায্যতা

■ জগদীশ ভূঞা

আজি মহামান্য উচ্চতম ন্যায়ালয়ে দিয়া ৰায়দানৰ দ্বাৰা অসম চুক্তিয়ে পুনৰবাৰ সাংবিধানিক নায্যতা লাভ কৰিলে। শেষাংশ ৩ পৃষ্ঠাত



দ্বিতীয়বাৰৰ বাবে হাৰিয়ানাৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণৰ মুহূৰ্তত নয়াব ছৈনী

## ঐতিহাসিক ৰায় আখ্যা দিলে ভূপেন বৰাই

ই-সংবাদ, ১৭ অক্টোবৰঃ ১৯৮৫ চনত কংগ্ৰেছ দলে কৰিছিল ঐতিহাসিক অসম চুক্তি। আজি চুক্তিৰ চাৰি দশক পাৰ হৈ যোৱাৰ পিছত পুনৰ শেষাংশ ৭ পৃষ্ঠাত

## ৰায়দান অবৈধ বিদেশীৰ পক্ষত বুলি মন্তব্য

## সৰ্বোচ্চ আদালতে দিয়া ৰায়ক লৈ অসন্তুষ্ট মহাসংঘৰ নেতা মতিউৰ ৰহমান

ই-সংবাদ, ১৭ অক্টোবৰঃ অসম সন্মিলিত মহাসংঘই উচ্চতম ন্যায়ালয়ত দিয়া দীৰ্ঘদিনীয়া যুঁজৰ অন্তত আজি অসমৰ নাগৰিকত্বৰ ভিত্তিবৰ্ষক লৈ গুৰুত্বপূৰ্ণ ৰায়দান প্ৰদান কৰিছে। ২০১২ চনত উচ্চতম ন্যায়ালয়ত আবেদন জনাইছিল মহাসংঘই। এই গোচৰৰ নেতৃত্ব দিছিল অসম সন্মিলিত মহাসংঘৰ নেতা শেষাংশ ৫ পৃষ্ঠাত

## কেক কাটিলে ইউডিএফে

ই-সংবাদ, ১৭ অক্টোবৰঃ অসমত নাগৰিকত্বৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল ৰাখি উচ্চতম ন্যায়ালয়ে ৰায়দান কৰাত সংখ্যালঘু দল-সংগঠনে আনন্দিত হোৱা দেখা গৈছে। সংখ্যালঘুৰ দৰদী বুলি জহাই ফুৰা বদৰুদ্দিন আজমলৰ দল এআইইউডিএফে আজি ৰায়দানৰ পিছতে গুৱাহাটীৰ শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰায়দানক লৈ সুখী, এতিয়া

জনগোষ্ঠীৰ মাজত বিভেদ বাঢ়িছে। শাসক শ্ৰেণীয়ে সুবিধা বুজি এইবোৰত সাৰ-পানী দি আছে। গতিকে আমাৰ কি হৈছে, শাসক শ্ৰেণীয়ে অসমত কি কৰি আছে আমি ধৰিব নোৱাৰা হৈছো। তেওঁলোকৰ কিছুমান কাম-কাজে যে ভীষণ ক্ষতি কৰিছে, অসমবাসীৰ সুৰক্ষিত ভৱিষ্যত বিপদগ্ৰস্ত কৰিছে এই সম্পৰ্কত কোনো সন্দেহ নাই। মানুহে এইবোৰ কথা ভাবিবলৈ লোৱাৰ সময়তে এনআৰচিৰ ১৯৫১, ১৯৭১ কৰাক লৈ হুলস্থুল লাগি গ'ল। তেতিয়া পৰস্পৰ বিৰোধী, অসহিষ্ণু কিছুমান মতামতে প্ৰাধান্য লাভ কৰে। মানুহৰ চিন্তাত আউল লাগি যায়। গতিকে সকলো ফালৰ পৰা এইটো আনন্দৰ কথা। যদি আমি তাৰ সুযোগ গ্ৰহণ কৰো তেন্তে হয়তো অসমত এটা দীৰ্ঘস্থায়ী মিলা-মিছা, সমতাবোধ আৰু ভাতৃত্ববোধৰ জন্ম ল'ব পাৰে। ১৯৭১ চনলৈকে কোনো মানুহৰ নাগৰিকত্বক লৈ প্ৰশ্ন উঠিব নোৱাৰে। এইটে কিন্তু কাৰ্যকৰী কৰিবলৈ এনআৰচিখন যথা শীঘ্ৰে কাৰ্যকৰী কৰা দৰকাৰ। এই আউলবিলাক লগাবলৈ কেন্দ্ৰই এআৰচিখন গ্ৰহণো কৰা নাই, প্ৰত্যাখনো কৰা নাই। ওলমি থাকিবলৈ দিছে। ভাৰতৰ মহাপঞ্জীয়কে এইখন নটিফাই কৰা নাই। বিজ্ঞপ্তিযোগে গ্ৰহণ কৰাত কোনো অসুবিধা নাই। সেয়া অসমবাসী ৰাইজৰ আৰু অসম চৰকাৰৰ প্ৰধান দাবী হোৱা উচিত। প্ৰথমে কওক এনআৰচিখন বৈধ। তাৰ পাছত কৰণীয় আৰু শুধৰণিবোৰ কৰক। ৫০ শতাংশ শুধৰণি ল'ৰা-ধেমালি। ২ বা ৩ বা ৫ শতাংশ সম্ভৱ। হয়তো এয়া উচিতো হ'ব পাৰে সন্দেহ নিৰসনৰ বাবে। বাকীসকলক নিৰাপদে ক'ৰ্টলৈ যাবলৈ, আদালতৰ ওচৰ চাপিবলৈ সুযোগ দিব লাগে। যাতে তেওঁলোকৰ নাগৰিকত্ব যদি আছে সেইটো প্ৰতীয়মান কৰিব পাৰে। যান্ত্ৰিক পদ্ধতিত কিছুমান বাদ পৰি যোৱাতো স্বাভাৱিক। যিসকলৰ নাম সোমাল সেইসকলৰ নাম উলিয়াব লাগে বুলি কৰাটো অস্বাভাৱিক দাবী। যদি দাবী কৰে তেন্তে ২ বা ৩ শতাংশ সংশোধন কৰিব পৰা যাব। এতিয়া আৰু এটা কথা হৈছে এয়াই যে ১৯৭১ চন গৃহীত হোৱাৰ লগে লগে যিবোৰ বিভেদ, সংঘাত চলি আছিল সেইবোৰৰ এটা সুস্থ সমাধানৰ ভাতৃত্ববোধ জগাই তুলিবলৈ বিভিন্ন সম্প্ৰদায়ে চেষ্টা কৰিব লাগিব। ৰাইজে বুজিব লাগে, কাজিয়াবোৰ লগাই থকা যিবোৰ নেতা আছে সেইবোৰ আচলতে চৰকাৰৰ দালাল। সিঁহতে অসমত শান্তি নিবিচাৰে। সিহঁতে অসমৰ ৰাইজৰ মাজত সমভাৱ নিবিচাৰে, উন্নয়ন বা ডেভেলপমেণ্ট নিবিচাৰে। ডেভেলপমেণ্ট মানে আদানি-আম্বানিৰ সুবিধা মতে হোৱা ডেভেলপমেণ্ট নহয়। সেইটো সিঁহতৰ ডেভেলপমেণ্ট। সেইটো আমাৰ ডেভেলপমেণ্ট নহয়। সিঁহতৰ পুঁজি বাঢ়িব। ৰাইজ তললৈ যাব। ইমান নিবনুৱা সমস্যা। ৬০-৭০ শতাংশ মানুহ চৰকাৰী চাউলৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। ঔষধৰ দাম বাঢ়িছে। পাচলিৰ দাম বাঢ়িছে। মানুহে কেৱল ভাত আৰু আলু সিঁজোৱা খাই থাকে। তেনেকৈ খাই থাকিলে মানুহৰ বেমাৰ হ'ব। বেমাৰৰ পৰা ভাল হ'বলৈ যিবোৰ দৰৱ আছে সেইবোৰৰ দাম বঢ়াই আছে। মানুহৰ দুৰ্গতিৰ পুৰা-পুৰি সুযোগ লৈছে চৰকাৰে। গতিকে আমি সেইবোৰ প্ৰশ্ন কৰিম। সমভাৱে কৰিম, সমবেতভাৱে কৰিম, ঐক্যবদ্ধভাৱে কৰিম। কাৰণ এতিয়া ভাৰতত দুটাই জাতি— ধনী আৰু দুখীয়া। যি নহওক, অসমীয়াৰ দৰে ক্ষুদ্ৰ জাতিটোৱে এতিয়া কিছু উশাহ ল'ব পাৰিব। 'কা' আইনৰ বিৰোধী। 'কা' আইনখন বাতিল হোৱাই ভাল। কথা-বাৰ্তা নাই, মানুহৰ সন্মতি নাই। চৰকাৰে কোনো যুক্তি নোহোৱাকৈ ২০১৪ চনলৈকে মানুহ ৰাখিব খুজিছে। যদি ২০১৪ চন হ'ব পাৰে ২০২৪ চনো হ'ব পাৰে। তাৰ কি কাৰণ আছে? ১৯৭১ চন ধৰাটো এটা কাৰণ আছে। এইটো সকলোৱে জানে যে বাংলাদেশৰ সৃষ্টি হৈছিল ১৯৭১ চনত। ভাৰত চৰকাৰে তাৰ পৰৱৰ্তী মানুহখিনিৰ দায়িত্ব গ্ৰহণ কৰিব নোৱাৰে। ২০১৪ চনৰ কৰাৰ ভিত্তি কি? একো ভিত্তি নাই। এওঁলোকে নিজৰ ভোটাৰ বঢ়াব খুজিছে। মই এটা কথা কও যে যিসকল বাদ পৰিল সেইসকলক গৰুৰ পালৰ দৰে খেদি দিয়াৰ ধাৰণাটো অমানৱীয়তো হয়েই, লগতে অন্যায়ো। ভাৰতীয় সংবিধানে কৈছে যে আমি সকলোকে সমানে ব্যৱহাৰ কৰিম, সমান চকুৰে চাম। কোৱা নাই যে কেৱল নাগৰিককে সমান চকুৰে চাম। নাগৰিকৰ সুকীয়া অধিকাৰসমূহ বেলেগ কথা। সকলো মানুহে যাতে ন্যায় পায় সেয়া হৈছে মূল কথা। যিসকল ৰৈ গ'ল তেওঁলোকক গৰু-ছাগলীৰ দৰে খেদি দিয়াৰ প্ৰশ্ন এতিয়া উঠা নাই। আলাপ-আলোচনাৰ যোগেদি চৰকাৰে ঠিক কৰিব লাগিব। কিন্তু এটা কথা স্পষ্ট যে অসমে তাৰ দায়িত্ব ল'ব নোৱাৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ ৰে'ল দুৰ্ঘটনা

লাইনচ্যুত হয় অসমত। ডিমা হাছাও জিলাৰ ডিবোলং ৰেল ষ্টেচনৰ ওচৰত আগৰতলা-লোকমান্য তিলক এক্সপ্ৰেছ লাইনচ্যুত হয়। আগৰতলাৰ পৰা মুম্বাই অভিমুখে গৈ থকাৰ সময়তে ৰে'লখন বিয়লি প্ৰায় ৫ বজাত ডিবোলং ৰে'ল ষ্টেচনৰ সমীপত দুৰ্ঘটনাত পতিত হয়। লগে লগে হাহাকাৰ লাগে। স্থানীয় লোকে দৌৰি দৌৰি গৈ বহু যাত্ৰীক উদ্ধাৰ কৰে। ইঞ্জিনসহ প্ৰায় চাৰিটা দবা লাইনচ্যুত হৈ ৰে'লপথৰ দাঁতিতে বাগৰি পৰে। এই দুৰ্ঘটনাত কোনো লোক গুৰুতৰভাৱে হতাহত হোৱা নাই। কেইজনমান লোকে সামান্য আঘাত পাইছে বুলি জানিব পৰা গৈছে। ৰে'লখনৰ গতি কম আছিল বুলি জানিব পৰা গৈছে। ৰে'লখন দুৰ্ঘটনাত পতিত হোৱাৰ পাছতে কেবাঘণ্টাৰ বাবে পথছোৱাত ৰে'লৰ চলাচল বন্ধ কৰা হয়। আহত যাত্ৰীক স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰা হৈছে। ৰে'ল দুৰ্ঘটনাৰ পাছতে বিভাগৰ উচ্চপদস্থ বিষয়াসকল উক্ত স্থানত উপস্থিত হোৱাৰ লগতে কাৰণ জানিবলৈ বিভাগীয় অনুসন্ধান কৰিব বুলি এটা সূত্ৰই প্ৰকাশ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কেক কাটিলে ইউডিএফে

হাতীগাঁৱৰ কাৰ্যালয়ত কেক কাটি আনন্দ জাহিৰ কৰে। মানকাছৰৰ বিধায়ক আমিনুল ইছলামে দলীয় নেতা-কৰ্মীৰ উপস্থিতিত কেক কাটি ৰায়ক সমৰ্থন জনাইছে। আমিনুলে ইছলামে এই ৰায়ক ঐতিহাসিক আখ্যা দিয়ে। বিৰোধী দলটোৱে কেক কাটি বিজয় উৎসৱ পালন কৰাত মিশ্ৰিত প্ৰতিক্ৰিয়াৰো সৃষ্টি হৈছে। কিয়নো এই গোচৰত পক্ষ নাছিল দলটো। পক্ষ আছিল জমিয়ত আৰু আমছুহে। কিন্তু ৰাজনীতিৰ ৰুটি সেকিবলৈ কেক কাটি দলটোৱে নাটক কৰা বুলি অভিযোগ উঠিছে। সময়ে সময়ে দলটোৱে বিজেপিক সহায় কৰিবলৈকে কিছুমান কাম কৰে বুলিও চৰ্চা চলি আহিছে। ইফালে, উচ্চতম ন্যায়ালয়ৰ আজিৰ ৰায়ক ঐতিহাসিক আখ্যা দি আদৰণি জনাইছে সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ এবিএমছুই। এবিএমছুৰ উপ-সভাপতি মইনুদ্দিন আলীয়ে বিদেশী নাগৰিকৰ ভিত্তিবৰ্ষক কেন্দ্ৰ কৰি উচ্চতম ন্যায়ালয়ৰ ৰায়দানত সন্তুষ্টি প্ৰকাশ কৰি অসমবাসীৰ বাবে এয়া এক সু-খবৰ বুলি অভিহিত কৰে। মইনুদ্দিন আলীয়ে কয় যে অসমত সুদীৰ্ঘ ৪০-৪৫ বছৰে এই বিষয়টোক লৈ বিভিন্ন ধৰণৰ বিতৰ্কিত হৈ আহিছে। এই লৈ আন্দোলনত জৰ্জৰিত হৈছিল ৰাজ্যখন। সকলোৱে অৱসান ঘটাই আজি উচ্চতম ন্যায়ালয়ে অসমৰ নাগৰিকত্বৰ ভিত্তিবৰ্ষ ১৯৭১ চনৰ ২৫ মাৰ্চ কৰাটো আদৰণিজনক আৰু আদালতৰ ৰায় ঐতিহাসিক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চন্দন ব্ৰহ্ম হ'ল প্ৰমোদৰ

প্ৰমোদ বড়ো চৰকাৰৰ উপদেষ্টা। তিনিবাৰকৈ ৰাজ্য চৰকাৰৰ মন্ত্ৰীৰ পদ চম্ভালা চন্দন ব্ৰহ্মাই অৱশেষত বিটিআৰ চৰকাৰৰ উপদেষ্টা পদ গ্ৰহণ কৰিলে। বিপিএফ এৰি ইউপিপিএলত যোগদান কৰা প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মক বিটিআৰ চৰকাৰৰ উপদেষ্টা হিচাপে নিযুক্তি দিছে প্ৰমোদ বড়োৱে। মাথো কেইমাহমানৰ মূৰকত বিটিআৰৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। নিৰ্বাচনৰ পূৰ্বে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে একালৰ বড়ো ৰাজনীতিৰ প্ৰভাৱশালী নেতা চন্দন ব্ৰহ্মক সংস্থাপন কৰাৰ বিষয়টোৱে চৰ্চা লাভ কৰিছে। ৰাজ্যৰ ৰাজনীতিৰ দৰেই বড়োভূমিৰ ৰাজনীতিত এতিয়া দল বাগৰি অহা নেতাৰ কদৰ বাঢ়িছে বুলি আলোচনা আৰম্ভ হৈছে। ইউপিপিএল দল এতিয়া হাগ্ৰামা মহিলাৰীৰ দলৰ বিপিএফ নেতাৰে ভৰি পৰিছে বুলিও একাংশ লোকে মন্তব্য কৰা দেখা গৈছে। বিশেষকৈ শক্তিশালী নেতাগৰাকী উপদেষ্টা হোৱা বিষয়টোৱে বহন কৰিছে তাৎপৰ্য।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আলফালৈ গ'ল বিজেপিৰ যুৱ নেতা

এগৰাকী প্ৰাক্তন আছু নেতাই বিদ্ৰোহী সংগঠনত যোগদান কৰা বুলি খবৰ প্ৰচাৰ হোৱাত উজনি অসমত ব্যাপক চৰ্চা লাভ কৰিছে। প্ৰাক্তন আছু নেতাগৰাকীয়ে শেহতীয়াকৈ বিজেপি দলত যোগদান কৰিছিল। শাসকীয় দলৰ এগৰাকী নেতাই ক্ষমতাৰ উপভোগ নকৰি জংঘললৈ যোৱাৰ সিদ্ধান্ত কিয় ল'লে সেই লৈয়ো জনগণৰ মাজত সৰৱ চৰ্চা হ'বলৈ ধৰিছে। মূল্যবৃদ্ধি, কৰ-কাটল লগাই সাধাৰণ লোকক মাধমাৰ শোধোৱাৰ অভিযোগ উঠি আহিছে। সাধাৰণ লোকৰ কল্যাণ সাধিব নোৱাৰা চৰকাৰে নিজৰ দলৰ নেতাক সন্তুষ্ট কৰিব পৰা নাই নেকি বুলিও প্ৰশ্ন উঠিছে। বিজেপিত যোগ দিয়া সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি লিখন বৰুৱাই পৰিয়ালক চাৰি পৃষ্ঠাৰ এখন চিঠি প্ৰদান কৰি নিৰুদ্দেশ হৈ আছে। প্ৰায় ১০ দিন পূৰ্বে ঘৰৰ পৰা ওলাই গৈ লিখন বৰুৱা আজিলৈ উভতি নহাত তথা চিঠিখনত লিখা কথাৰ ধৰণলৈ চাই তেওঁ আলফা স্বাধীনত যোগদান কৰাৰ সন্দেহ কৰা হৈছে। ডিব্ৰুগড়ৰ লাহোৱাল সমষ্টিৰ ৰহমৰীয়াৰ লিখন বৰুৱাই পূৰ্বে সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ সভাপতি পদত কাৰ্যনিৰ্বাহ কৰিছিল। ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ আগে আগে আছুৰ পদ এৰি সক্ৰিয় ৰাজনীতিলৈ অহাৰ মন মেলে। ২০২১ত অসম জাতীয় পৰিষদত যোগদান কৰি লাহোৱাল সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছিল। কিন্তু পৰাজিত হৈ তেওঁৰ দলটোৰ সৈতে সম্পৰ্ক বেছিদিনলৈ স্থায়ী নহ'ল। কিছুদিন পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত বিজেপিত যোগদান কৰিছিল। লিখনে বিজেপিত যোগদান কৰি নতুন ইনিংছ আৰম্ভ কৰিছিলহে মাথো। ইনিংছ ভালদৰে আৰম্ভ হ'বলৈ নৌপাওতেই ৯ অক্টোবৰত নিজৰ কাপোৰ লৈ ঘৰৰ পৰা ওলাই যায় লিখন বৰুৱা। উল্লেখ্য যে, কেইদিনমান পূৰ্বে গাড়ীখনো বিক্ৰী কৰিছিল লিখনে। কিন্তু পৰিয়ালৰ লোকে লিখনৰ সৈতে যোগাযোগ কৰিব নোৱাৰাত তথা দীৰ্ঘদিন ধৰি ঘৰলৈ উভতি নহাত ইফাল-সিফল খবৰ কৰিবলৈ আৰম্ভ কৰে। তেনে সময়তে কোঠাৰ পৰা চাৰি পৃষ্ঠাৰ চিঠিখন উদ্ধাৰ হয়। বিছনাৰ তুলিৰ তলৰ পৰা পৰিয়ালৰ লোকে চাৰি পৃষ্ঠাৰ চিঠিখন আৰু মাতৃৰ চিকিৎসাৰ বাবে থৈ যোৱা কিছু টকা উদ্ধাৰ কৰে। চিঠি উদ্ধাৰৰ পাছতে পৰিয়ালত হাহাকাৰ লাগে। চিঠিত লিখা কথাৰ ধৰণলৈ চাই আছুৰ প্ৰাক্তন সভাপতি লিখন বৰুৱাই আলফা স্বাধীনত যোগদান কৰা বুলি পৰিয়াল তথা ওচৰ-চুবুৰীয়াই সন্দেহ কৰিছে। লগে লগে পৰিয়ালৰ লোকসকলে ঘটনা সন্দৰ্ভত স্থানীয় আৰক্ষীক বিষয়টো অৱগত কৰে। আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ জিলা সমিতিৰ সভাপতিৰ দায়িত্ব লোৱা এগৰাকী নেতাই আলফা স্বাধীনতৈল যোৱাৰ খবৰটোক সহজে ল'ব পৰা নাই ৰাইজে। জীৱনত সফল নোহোৱাৰ হতাশাত তথা ৰাজনীতিৰ ভিতৰচ'ৰা প্ৰত্যক্ষ কৰি বীতশ্ৰদ্ধ হৈ আত্মভিমানী লিখনে এনে সিদ্ধান্ত ল'ব পাৰে বুলিও এতিয়া সমগ্ৰ ডিব্ৰুগড়তে চৰ্চা চলা দেখা গৈছে। উল্লেখ্য যে কিছুদিন পূৰ্বে উজনি অসমৰ এগৰাকী সাংবাদিকেও চিঠি লিখি আলফালৈ গৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৯৮৫ৰ অসম চুক্তিলৈ ন্যায্যতা

অসম চুক্তিৰ ভিত্তিবৰ্ষ ১৯৭১ চনে পুনৰ এবাৰ নায্যতা লাভ কৰিলে আৰু ইয়াৰ লগে লগে অসম চুক্তিখনেও সামগ্ৰিকভাৱে নায্যতা লাভ কৰিলে। যিহেতু অসম চুক্তি এখন সামূহিক দলিল, সেয়েহে অসম চুক্তিৰ প্ৰতিটো দফাৰ মাজত সম্পৰ্ক আছে। যেনে- সমগ্ৰ দেশত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৫১ আৰু অসমৰ বাবে কৰা হ'ল ১৯৭১। যিহেতু অসমে ২০ বছৰৰ অতিৰিক্ত বিদেশীৰ বোজা বহন কৰিব লগা হ'ল আৰু তাৰ ফলশ্ৰুতিত অসমৰ অসমীয়া মানুহৰ জনসংখ্যা হ্ৰাস হ'ব আৰু অসমীয়া মানুহ সংখ্যালঘু হোৱাৰ আশংকা আছে সেইবাবেই অসম চুক্তিৰ ৬নং দফাৰ যোগেদি অসমীয়া মানুহক সাংবিধানিক ৰক্ষা কৱচ দিয়াৰ সিদ্ধান্ত লোৱা হৈছিল। এতিয়া প্ৰতিজন অসমীয়াৰ জানিবলগীয়া প্ৰয়োজনীয় বিষয়সমূহ হ'ল (১) পুনৰবাৰ সাংবিধানিক নায্যতা পোৱা আৰু ৪০ বছৰত ভৰি দিয়া অসম চুক্তি অনুসৰি ১৯৭১ চনৰ পিছৰ বিদেশী চিনাক্তকৰণ, নাম কৰ্তন আৰু বহিষ্কৰণৰ কাম কেতিয়া আৰম্ভ কৰিব? (২) যিহেতু ভিত্তিবৰ্ষ ১৯৭১ চনে নায্যতা পালে, তেনে ক্ষেত্ৰত "কা"ৰ জৰিয়তে ২০১৪ চনলৈ বাংলাদেশী অনা ব্যৱস্থা বাতিল হ'ব লাগে, অসমত "কা" বাতিল হ'ব লাগে। যিহেতু ভিত্তবৰ্ষ ১৯৭১ সাংবিধানিক অৰ্থাৎ "কা" অসংবিধানিক। বিজেপি চৰকাৰে "কা" বাতিল কৰি লাগে। (৩) অসম চুক্তিৰ আধাৰত জন্ম হোৱা অসম গণ পৰিষদে "কা" বিৰোধ কৰিবলৈ তেওঁলোকৰ মিত্ৰদল বিজেপিক দাবী জনাব লাগে আৰু অন্যথাই অগপই বিজেপিৰে মিত্ৰতা ভংগ কৰিব লাগে। (৪) কেন্দ্ৰীয় চৰকাৰে অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ পৰামৰ্শাৱলী গ্ৰহণ কৰিব লাগে আৰু ক্ষিপ্ৰতাৰে ৰূপায়ণ কৰিব লাগে। (৫) মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম চুক্তি সম্পৰ্কে কোনো বিৰূপ মন্তব্য কৰিব নালাগিব আৰু ১৯৭১ চনৰ পিছৰ বিদেশী চিনাক্ত কৰি ভোটাৰ তালিকাৰ পৰা নাম কৰ্তনৰ লগতে বহিস্কৰণৰ বাবে ক্ষিপ্ৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। যদি এইবোৰ একো নকৰি কেৱল ভিত্তিবৰ্ষটোকেই লৈ ৰাজনীতি কৰি থাকে, তেন্তে ভাবিবলৈ বাধ্য হ'ম যে অসম কেৱল নিৰ্যাতিত আৰু লাঞ্চিত হ'বলৈহে ভাৰতৰ বুকুত জীয়াই আছে। অসমে বিদেশীৰ বোজা ল'ব, ভাষা হেৰুৱাব, কৃষ্টি হেৰুৱাব, ৰাজনৈতিক অধিকাৰ হেৰুৱাব, অস্তিত্ব হেৰুৱাব সেইবোৰক লৈ কোনেও মুৰ নঘমাই কেৱল অসমে ত্যাগ কৰিব লাগিব আৰু হেৰুৱাব লাগিব। পোৱাৰ ঘৰত শূন্য! নায্যতা যদি পাইছে সমগ্ৰ চুক্তিখনে পাইছে, কেৱল ভিত্তিবৰ্ষই নহয়। অসমীয়াক ন্যায় দিয়ক, এইটোহে দল-মত নিৰ্বিশেষে প্ৰতিজন অসমীয়াৰ কণ্ঠ হোৱা উচিত। আজি "কা"ৰ সমৰ্থন কৰি অসমীয়াৰ সাংবিধানিক ৰক্ষাকৱচ প্ৰদানক গৌণ বুলি ভবা সকলো ৰাজনৈতিক দল আৰু নেতা কাললৈ ইতিহাসৰ পাতত দেশদ্ৰোহী বদন ৰূপে চিহ্নিত হৈ ৰ'ব। এয়া মোৰ আজিৰ চিন্তা।

# উচ্চতম ন্যায়ালয়ৰ ৰায়ক আদৰণি চিপিআইএমৰ, 'কা' শীঘ্ৰে বাতিলকৰণৰ দাবী

**ই-সংবাদ, ১৭ অক্টোবৰঃ** দীঘলীয়া বিচাৰ প্ৰক্ৰিয়াৰ অন্তত উচ্চতম ন্যায়ালয়ে নাগৰিকত্ব আইনৰ ধাৰা ১৯৫৫ৰ ৬ক বৈধ ঘোষণা কৰি ৰায় দিয়াত আদৰণি জনাইছে চিপিআইএমৰ অসম ৰাজ্যিক সমিতিয়ে। এক বিবৃতিত বামপন্থী সংগঠনটোৱে কয় যে অসম চুক্তিত ১৯৭১ চনৰ ২৫ মাৰ্চক অবৈধ বিদেশী চিনাক্তকৰণৰ সময়সীমা হিচাপে যে নিৰ্ধাৰণ কৰা হৈছে তাক আইনী ৰূপ দিবলৈ দেশৰ সংসদে ১৯৮৫ চনৰ ডিচেম্বৰত নাগৰিকত্ব আইন ১৯৫৫ত ৬ক ধাৰা সংযুক্ত কৰিছিল। এই ধাৰা অসাংবিধানিক বুলি ঘোষণা কৰিবলৈ দাবী জনাই কিছুমান সংগঠনে উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। গোচৰটোৰ অসমৰ সমাজ জীৱনত পৰিব পৰা সম্ভাব্য প্ৰভাৱ সম্পৰ্কে লক্ষ্য ৰাখি চিপিআইএমৰ অসম ৰাজ্যিক সমিতিয়ে পৰৱৰ্তী সময়ত উচ্চতম ন্যায়ালয়ত হস্তক্ষেপমূলক আবেদন কৰিছিল। ১৯৭১চনৰ সময়সীমাৰ যুক্তিযুক্ততা লিখিত বক্তব্যৰ জৰিয়তে দাঙি ধৰিছিল। উচ্চতম ন্যায়ালয়ৰ পাঁচজনীয়া বিচাৰপীঠে সকলো দিশ বিবেচনা কৰি আজি যি ৰায় প্ৰদান কৰিছে তাক সুচিন্তিত আৰু বাস্তৱসন্মত বুলি মত প্ৰকাশ কৰিছে। ১৯৭১ চনৰ সময়সীমা সংবিধান সন্মত বুলি ঘোষণা কৰাৰ পাছত অকণো পলম নকৰাকৈ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ চূড়ান্ত তালিকা সূচিত কৰাৰ জৰিয়তে এনআৰচি চূড়ান্তকৰণৰ প্ৰক্ৰিয়া খৰতকীয়া কৰা উচিত বুলি দলটোৱে কয়। উচ্চতম ন্যায়ালয়ৰ এই ৰায়ৰ পৰিপ্ৰেক্ষিতত অসমত 'কা' ৰ প্ৰয়োগ ততালিকে বন্ধ কৰা উচিত বুলিও কয় চিপিআইএমে।

## আকাশ বন্তিৰ আলোকে নিঃশেষ কৰিব সমাজৰ অসূয়া-অপ্ৰীতিঃ পীতাম্বৰ দেৱ গোস্বামী

# কাতি বিহু পালন, ৩৭১ বছৰীয়া পৰম্পৰাৰে আউনীআটী সত্ৰত ২১ যোৰ আকাশ বন্তি প্ৰজ্বলন

**মাজুলীৰ পৰা পৰাণজ্যোতি বৰা, ১৭ অক্টোবৰঃ** সমগ্ৰ ৰাজ্যৰ লগতে মাজুলীটো আজি পালন কৰা হয় কাতি বিহু। পৰম্পৰা ৰক্ষা কৰি চোতালৰ তুলসীজোপাৰ তলত চাকি জ্বলাই কঙালী নাইকিয়া হোৱাৰ কামন কৰে মাজুলীবাসীয়ে। মাজুলীৰ গাঁওসমূহৰ লগতে সত্ৰসমূহতো পৰম্পৰা অটুট ৰাখি কঙালী বিহু উদযাপন কৰা হয়। ৩৭১ বছৰীয়া মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰত প্ৰতিষ্ঠা কালৰে পৰা চলি অহা পৰম্পৰা ৰক্ষা কৰি সত্ৰাধিকাৰ প্ৰমুখ্যে বৈষ্ণৱসকলে আজি ২১ যোৰা বন্তি প্ৰজ্বলন কৰি সত্ৰখনৰ বৈষ্ণৱৰ লগতে বিশ্ববাসীৰ সুখ-শান্তিৰ কামনা কৰে। সেই উদ্দেশ্যে আজি কাতি বিহুৰ দিনা পুৱা গোবিন্দ মহাপ্ৰভুৰ ওচৰত সেৱা আগবঢ়োৱাৰ পিছতেই বৈৰাগী নাম, বৰনাম,ভাগৱত পাঠ, গায়ন-বায়ন, প্ৰসংগ, পালনাম প্ৰসংগ আদি পৰম্পৰাগত নাম-কীৰ্ত্তন অনুষ্ঠিত হয়। ইয়াৰ পিছতে বিয়লি সত্ৰখনৰ বৈষ্ণৱসকলে হিয়ানাম, দিহা নাম, নটুৱা নৃত্য, ওজাপালিৰে নামঘৰৰ চৌপাশ মুখৰিত কৰি সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী, ডেকা সত্ৰাধিকাৰৰ লগতে সত্ৰৰ বৈষ্ণৱসকলে জয়ধ্বনি কৰি গায়ন-বায়ন, ঢোল-খোল, শংখ-ঘণ্টা,দবা-কাঁহ বজাই মূল নামঘৰৰ পৰা ওলাই আহি নামঘৰৰ সমীপৰ মুকলি আকাশৰ তলত বিশেষভাৱে বাঁহৰ খুটাৰে নিৰ্মাণ কৰা আকাশ বন্তি থলিত প্ৰৱেশ কৰে। উক্ত স্থানত সত্ৰখনৰ বৰপূজাৰীয়ে তুলসী পূজাৰ মন্ত্ৰ উচ্চাৰণৰ লগে লগে সত্ৰাধিকাৰ সহিতে বৈষ্ণৱসকলে আকাশ বন্তিৰ থলীত উঠা নাম পৰিৱেশন কৰি চৌপাশ মুখৰিত কৰি চাৰিপাক পৰিক্ৰমা কৰি সেৱা জনাই সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে বন্তি প্ৰজ্বলনৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতে সত্ৰখনৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱ গোস্বামী সহিতে সত্ৰখনৰ মুখিয়ালসকলে একোগছিকৈ বন্তি প্ৰজ্বলন কৰাৰ পছতেই ৰছীৰ সহায়ত ৩০ ফুট ওপৰলৈ তুলি দিয়ে। লগে লগে ২১ গছি বন্তিৰ পোহৰেৰে আলোকিত হৈ পৰে আকাশ। বিশ্বাস আছে যে এই প্ৰজ্বলিত বন্তিয়ে পূৰ্বপুৰুষসকলক উদ্ধাৰ কৰে। বন্তি প্ৰজ্বলন কৰি সত্ৰাধিকাৰগৰাকীয়ে আকাশবন্তিৰ আলোকত সকলোকে কাতি বিহুৰ শুভেচ্ছা জনাই সাংবাদিকৰ আগত কয় যে আমাৰ সমাজত যি অসুয়া-অপ্ৰীতি আছে সেই সকলোবিলাক যাতে নাইকিয়া হৈ যায়, একাত্ম চিন্তাবোৰ যাতে নোহোৱা হৈ যায়, পৰম্পৰে পৰম্পৰক যাতে সকলোৱে আকোঁৱালি লয়, সমাজত যাতে শান্তি বিৰাজিত হয়, সকলোৰে হৃদয় এই জ্ঞান আলোকেৰে আলোকিত হয় তাৰেই কামনা কৰিছো। সত্ৰাধিকাৰ গৰাকীয়ে লগতে কয়, আমাৰ মাজুলীৰ শাৰদীয় উৎসৱ বুলিলে আমি কাতি বিহু, ৰাস-পালনামৰ কথাই কওঁ। আজিৰ কাতি বিহুৰ পৰাই মাজুলীৰ শাৰদীয় উৎসৱ আৰম্ভ হৈছে। এই উৎসৱেই আমাৰ শাৰদীয় উৎসৱৰ বতৰা দিয়ে। ইয়াতেই আছে আমাৰ সংস্কৃতি, ইয়াতেই আছে আমাৰ পৰম্পৰা, ইয়াতেই আছে আমাৰ ঐতিহ্য। ইয়াৰ পাছতে সত্ৰাধিকাৰ, ডেকা সত্ৰাধিকাৰ প্ৰমুখ্যে বৈষ্ণৱসকলে নামঘৰত প্ৰৱেশ কৰি গোবিন্দৰ মহাপ্ৰভু চৰণত সেৱা জনাই অনুষ্ঠানৰ সামৰণি পেলায়। সত্ৰখনৰ উক্ত অনুষ্ঠানত আজি মাজুলীৰ লগতে বিভিন্ন প্ৰান্তৰ পৰা অহা শ শ দৰ্শনাৰ্থীৰ লগতে বিদেশী পৰ্যটকেও অংশ গ্ৰহণ কৰে। ইয়াৰ উপৰিও মাজুলীৰ গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, দক্ষিণপাট সত্ৰকে আদি কৰি সত্ৰ অনুষ্ঠানসমূহত পৰম্পৰা অনুসৰি আকাশ বন্তি প্ৰজ্বলন কৰি কাতি বিহু উদযাপন কৰা লগতে মাজুলীৰ গাঁও সমূহতো তুলসী পূজা, আকাশ বন্তি প্ৰজ্বলনেৰে কাতি বিহু পালন কৰে।

# উচ্চতম ন্যায়ালয়ৰ ৰায়ক আদৰণি, অগপৰ অতুল-কেশৱেও প্ৰকাশ কৰিলে আনন্দ

**ই-সংবাদ, ১৭ অক্টোবৰঃ** অসম আন্দোলনৰ ফলত প্ৰতিষ্ঠা লাভ কৰি দুবাৰকৈ ৰাজ্যৰ শাসনৰ বাঘজৰী হাতত লোৱা অগপ দলে উচ্চতম ন্যায়ালৰ নাগৰিকত্বৰ ভিত্তিবৰ্ষক লৈ দিয়া ৰায়দানক আদৰই জনাইছে। বিজেপিৰ সহযোগী হৈ অসমত চৰকাৰ চলাই থকা অগপ দলৰ দুই শীৰ্ষ নেতা অতুল বৰা আৰু কেশৱ মহন্তই উচ্চতম ন্যায়ালয়ে অসম চুক্তি অনুসৰি অসমত নাগৰিকত্বৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল ৰখাত উচ্চতম ন্যায়ালয়ক ধন্যবাদ জ্ঞাপন কৰিছে। দলটোৰ সভাপতি অতুল বৰাই অসম আন্দোলনক স্মৰণ কৰি কয় যে ১৯৮৫ চনলৈ ৰাজ্যখনত বিদেশী বহিষ্কৰণৰ দাবীত এক গণ আন্দোলন হৈছিল। অৱশেষত কেন্দ্ৰীয় চৰকাৰে আন্দোলনকাৰীৰ সৈতে চুক্তি স্বাক্ষৰ কৰিছিল। যাক অসম চুক্তি বুলি কোৱা হয়। তাত বিদেশী চিনাক্তকৰণৰ বাবে ১৯৭১ চনৰ ২৫ মাৰ্চ নিৰ্ধাৰণ কৰা হৈছিল। চুক্তি হোৱাৰ দীঘলীয়া সময় পাৰ হৈ গ'ল। মহাসংঘই এই বিষয়টোক লৈ আদালতৰ কাষ চাপিছিল। তেওঁলোকে ১৯৫১ চন দাবী কৰিছিল। আমি এই গোচৰত জড়িত হৈছিলো হস্তক্ষেপ প্ৰয়োগ আবেদনকাৰী হিচাপে। মতিউৰ ৰহমান ডাঙৰীয়াই কৰা আবেদনত হস্তক্ষেপ প্ৰয়োগ আবেদন কৰ্তা হিচাপে আমি যিখনি কথা কৈছিলো তেনেদৰেই ৰায়দান দিয়াত আমি অত্যন্ত সুখী। অসম চুক্তিক অসম আন্দোলনৰ ফল বুলি দোহাৰী বৰাই কয় যে অসম চুক্তি অসম আন্দোলনৰ ফল। অসম চুক্তিৰ দ্বাৰা বিদেশী চিনাক্তকৰণৰ যিটো কথা সেইটোৰে বাস্তৱ সন্মত আছিল। আজি উচ্চতম ন্যায়ালৰ ৫ জনীয়া বিচাৰপীঠৰ যি ৰায় এই ৰায়ে তাকেই প্ৰমাণ কৰিলে। এই ৰায়দান ঐতিহাসিক। এই ৰায়দানক অগপই আদৰণি জনাইছে। অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই কয় যে আজিৰ দিনটো অসমৰ জাতীয় জীৱনৰ বাবে ঐতিহাসিক দিন। মহামান্য উচ্চতম ন্যায়ালয়ৰ পাঁচজনীয়া সংবিধানপীঠে অসমত নাগৰিকত্বৰ ভিত্তিবৰ্ষ হিচাপে ১৯৭১ চনক মান্যতা প্ৰদান কৰি দিয়া ৰায়ক আমি আদৰণি জনাইছো। অসমলৈ বিদেশী নাগৰিকৰ অবাধ অনুপ্ৰৱেশৰ বিৰুদ্ধে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত অসমৰ ৰাইজে ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ ঐতিহাসিক অসম আন্দোলন কৰিব লগা হৈছিল। অসমবাসীৰ এই নাৰ্য গণ আন্দোলনৰ ফলস্বৰূপে ১৯৮৫ চনৰ ১৫ আগষ্টত স্বাক্ষৰিত অসম চুক্তি স্বাক্ষৰিত হৈছিল। আজি ভাৰতৰ মাননীয় মুখ্য ন্যায়াধীশৰ নেতৃত্বত গঠিত পাঁচজনীয়া সংবিধানপীঠে দিয়া ৰায়ে অসম চুক্তিত সন্নিৱিষ্ট বিদেশী নাগৰিক চিনাক্তকৰণৰ ভিত্তি তাৰিখ ১৯৭১ চনৰ ২৫ মাৰ্চৰ সাংবিধানিক বৈধতাক সুনিশ্চিত কৰিলে। ঐতিহাসিক অসম আন্দোলনৰ লগতে অসম চুক্তিকো পুনৰবাৰ মান্যতা প্ৰদান কৰাৰ এই ঐতিহাসিক সিদ্ধান্তক আদৰণি জনাইছো।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সৰ্বোচ্চ আদালতে দিয়া ৰায়ক লৈ

মতিউৰ ৰহমানে। মতিউৰ ৰহমানে নাগৰিকত্ব আইনৰ ৬(ক) অনুচ্ছেদক প্ৰত্যাহ্বান জনাইছিল। দাবী কৰা হৈছিল যে অন্য ৰাজ্যৰ দৰেই অসমৰ নাগৰিকত্বৰ ভিত্তি বৰ্ষ ১৯৫১ কৰা হওক। কিন্তু আজি অসম চুক্তি মৰ্মেই অসমৰ নাগৰিকত্বৰ ভিত্তিবৰ্ষ তথা বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চনৰ ২৫ মাৰ্চৰ সপক্ষে ৰায় দিয়ে। এই গোচৰৰ ৰায় দিয়াৰ পিছতে এখন সংবাদমেল পাতি উচ্চতম ন্যায়ালয়ৰ ৰায়ক ভৎৰ্সনা কৰে মহাসংঘৰ নেতাগৰাকীয়ে। অসমৰ খিলঞ্জীয়াই এনে কথা মানি নলয় বুলি স্পষ্ট কৰে মতিউৰ ৰহমানে। সংবাদমেলযোগে এই ৰায়ক লৈ অসন্তুষ্ট ৰহমানে ৱিটিছে অসমলৈ অনা তথা ইয়াণ্ডাবু সন্ধিৰ পিছৰ লোকসকলক অসমৰ খিলঞ্জীয়াই মানি লৈছে বুলি দোহাৰি অসমৰ খিলঞ্জীয়াই উদাৰতাৰ পৰিচয় দিছে। সেইসকল লোকেই এতিয়া অসমৰ ৰাজনীতিত পদদপাই আছে। কিন্তু ১৯৫১ চনৰ পিছৰ বিদেশীক অসমীয়াই মানি নলয়। আজি সংবাদমেলত মতিউৰ ৰমানে কয় যে এই ৰায়দান অবৈধ বিদেশীৰ পক্ষত। আজিৰ দিনটো অসমৰ কাৰণে ডাঙৰ ক'লা ইতিহাস। এই উচ্চতম ন্যায়ালয়ে ২০০৫ চনত অবৈধ প্ৰব্ৰজনসকলক নীৰৱ আগ্ৰাসনকাৰী বুলি কৈছিল। আগ্ৰাসনকাৰী মানে আক্ৰমণকাৰী। ২০০৫ চনৰ উচ্চতম ন্যায়ালয়ৰ যি ৰায় আছিল সেই ৰায়ৰ বিৰুদ্ধে গৈ এই আগ্ৰাসনকাৰীসকলক নাগৰিকত্ব দিব লাগে বুলি ৰায়দানটোত ক'লে। এয়া গৰ্হিত আৰু দুৰ্ভাগ্যজনক কথা। স্বয়ং উচ্চতম ন্যায়ালয়ে সংবিধান আৰু আইনৰ বিৰুদ্ধে গৈ বিদেশীক নাগৰিকত্ব দিয়াৰ কথা ক'লে ইয়াতকৈ আৰু চৰম দুৰ্ভাগ্যৰ কথা একো নাই। আনহাতে, মতিউৰ ৰহমানে উচ্চতম ন্যায়ালয়ৰ কাষ কিয় চাপিছিল সেই কথা উল্লেখ কৰি কয় যে আমি উচ্চতম ন্যায়ালয়ত গৈছিলো কিয়? যিহেতু ৰাজনৈতিক চৰকাৰ আৰু প্ৰশাসনিক চৰকাৰে বাস্তৱ ক্ষেত্ৰত অবৈধ বিদেশীৰ বিৰুদ্ধে কোনো পদক্ষেপ লোৱা নাছিল। সেই কাৰণে আমি উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিলো। বিষয়টোৰ এটা সাংবিধানিকভাৱে সমাধান হওক বুলি ভাবিছিলো, ন্যায়সংগত সমাধান হওক বুলি ভাবিছিলো। কিন্তু উচ্চতম ন্যায়ালয়ে আমাৰ যিটো আশা আছিল সেই আশা আশাহত কৰিলে। এনেধৰণে ৰায় দি বিদেশীৰ পক্ষ ল'লে। অসম ভাৰতৰ ভিতৰত এনে এখন ৰাজ্য য'ত ইয়াণ্ডাবু সন্ধিৰ পিছত ঔপনিবেশিক চৰকাৰ হওতে ইয়ালৈ লাখ লাখ বিদেশী আৰু বহিৰাগত মানুহ আনিছিল। সেইসমূহ আজিৰ তাৰিখত প্ৰায় ডেৰ কোটি। সেই ডেৰ কোটি মানুহক অসমৰ খিলঞ্জীয়া মানুহে মানি লৈছে। বিদেশীয়ে এৰি থৈ যোৱা মানুহৰ মাজৰ পৰা বিধায়ক হৈছে, কেন্দ্ৰীয় মন্ত্ৰী হৈছে। বিধানসভাত দপদপাই আছে। তাৰ বিপৰীতে অসমৰ থলুৱা মানুহ কেইজন হৈছে? আহোম, মৰাণ মটক, চুতীয়া, কছাৰী কেইজন আছে? অসমৰ খিলঞ্জীয়াই নিজৰ ভূ-খণ্ডত ক্ৰমান্বয়ে বঞ্চিত হোৱাৰ অভিযোগ উত্থাপন কৰি ৰহমানে কয় যে খিলঞ্জীয়া অধিকাৰৰ পৰা বঞ্চিত হৈছে। তাৰ মানে কি? হাজাৰ বছৰীয়া ইতিহাস থকা খিলঞ্জীয়াই নিজৰ ভূ-খণ্ডত ক্ৰমান্বয়ে বঞ্চিত হৈছে। তাৰ বাবে ১৯৫১ ভিত্তিবৰ্ষ দৰকাৰ আছিল। ভাৰত চৰকাৰে ১৯৫১ৰ পিছৰ বিদেশীক ভাৰত চৰকাৰে বেলেগ বেলেগ ৰাজ্যত ভগাই ল'ব লাগে। ন্যায়াধীশ জে বি পাৰ্দিৱালাই ১৯৫১ চনক ভিত্তিবৰ্ষৰ কৰাৰ সপক্ষে ৰায়দান কৰিছিল। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ৰ লগতে বাকীকেইজনে ১৯৭১ চনৰ প্ৰতি ৰায়দান দিছে। তেওঁলোকে নিজৰ নিজৰ ৰাজ্যত সেই মানুহবোৰক ভগাই ল'বলৈ নিৰ্দেশ দি মানৱীয়তা প্ৰকাশ নকৰিলে কিয়? এখন ৰাজ্যক মাৰি মানৱীয়তা দেখুওৱাটো দুৰ্ভাগ্যজনক আৰু পৰিতাপৰ কথা। আমি কেতিয়াও এই কথা নামানো। অসমৰ খিলঞ্জীয়াই কেতিয়াও এই কথা নামানে বুলিও কয় গোচৰীয়া পক্ষ মহাসংঘৰ নেতা মতিউৰ ৰহমানে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্বহীদ ন্যসত ফটকা ফুটালে আছুৰে

নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম আৰম্ভ কৰাৰ বাট মুকলি কৰিলে। আনহাতে, সময়ে সময়ে নাগৰিকত্বৰ ভিত্তিবৰ্ষক লৈ উদ্ভৱ হৈ অহা বিভ্ৰান্তিৰ সমাপ্তি ঘটিল। আজি উচ্চতম ন্যায়ালয়ে এক ঐতিহাসিক ৰায় দিয়াৰ পাছতে এই বিভ্ৰান্তিৰ অন্ত পৰিল। অসম সন্মিলিত মহাসংঘই তৰা গোচৰত আজি উচ্চতম ন্যায়ালয়ে ঐতিহাসিক ৰায়দান প্ৰদান কৰে। পূৰ্বে সংৰক্ষিত ৰায় উচ্চতম ন্যায়ালয়ে আজি ঘোষণা কৰি অসমত নাগৰিকত্বৰ ভিত্তিবৰ্ষ ১৯৭১ বাহাল ৰাখি ৰায় দিয়ে। এই গোচৰৰ অন্যতম পক্ষ আছিল সদৌ অসম ছাত্ৰ সন্থা। যিহেতু বিষয়টো অসম চুক্তিৰ সৈতে জড়িত সেয়েহে সদৌ অসম ছাত্ৰ সন্থাক অন্যতম পক্ষ কৰা হৈছিল। অসম চুক্তি হৈছিল অসম আন্দোলনৰ ফলশ্ৰুতিত। অসম আন্দোলনৰ নেতৃত্ব দিছিল আছুৱে। এই চুক্তি মৰ্মে ভাৰতীয় সংবিধানৰ নাগৰিকত্ব আইনক সংশোধন ঘটাই নাগৰিকত্ব আইনৰ ৬(ক) দফাক সংলগ্ন কৰা হৈছিল। এই ৬(ক) দফাক বাহাল ৰাখিয়েই উচ্চতম ন্যায়ালয়ে ৰায় দি কৈছে যে অসমৰ ক্ষেত্ৰত ১৯৭১ চনৰ ২৫ মাৰ্চ নাগৰিকত্বৰ ভিত্তিবৰ্ষ বাহাল থাকিব। আছুৱে ইয়াকে বিচাৰিছিল। আজিৰ ৰায় আছুৰ বৃহৎ জয় হিচাপে দেখা গৈছে। পূৰ্বে শুনানি সমাপ্তি হোৱা গোচৰটোৰ সংৰক্ষিত ৰায় আজি ঘোষণাৰ সময়ত নতুন দিল্লীত আছুৰ নেতৃত্ব উপস্থিত আছিল। আছুৱে ৰায়দানৰ পাছতে এই ৰায়দানক ঐতিহাসিক বুলি ঘোষণা কৰে। লগতে কাইলে অৰ্থাৎ শুকুৰবাৰে সমগ্ৰ অসমত বন্তি জ্বলাই অসম আন্দোলনৰ শ্বহীদক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ ঘোষণা কৰে। উচ্চতম ন্যায়ালয়ৰ ঐতিহাসিক ৰায়ৰ পাছত শ্বহীদ ন্যসৰ সন্মুখত আতচবাজী প্ৰদৰ্শন কৰি মিঠাই বিতৰণ কৰে আছুৱে। আনহাতে, আছুৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যই নতুন দিল্লীত সাংবাদিকৰ মুখামুখি হৈ গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰিছে। ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যই ঐতিহাসিক অসম চুক্তি শুদ্ধ আৰু সত্য বুলি মত পোষণ কৰে। ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যই কয় যে এই কথা আজি উচ্চতম ন্যায়ালয়ে বলিষ্ঠভাৱে প্ৰতিপন্ন কৰিলে যে ঐতিহাসিক অসম চুক্তি শুদ্ধ আৰু সত্য। উচ্চতম ন্যায়ালৰ এয়া এক ঐতিহাসিক ৰায়। এই ৰায়ে অসম চুক্তি আৰু অসম আন্দোলন যে শুদ্ধ আৰু সত্য সেই কথা বলিষ্ঠভাৱে প্ৰতিষ্ঠা কৰিলে। অসম চুক্তি আৰু অসম আন্দোলন যে যুক্তিপূৰ্ণ তাকো বলিষ্ঠভাৱে প্ৰতিপন্ন হ'ল। অসম আন্দোলনৰ সময়ত মণ্ডলদৈৰ নিৰ্বাচনত সৃষ্টি হোৱা পৰিস্থিতি, অসম আন্দোলন, সদৌ অসম ছাত্ৰ সন্থা, গণ সংগ্ৰাম পৰিষদৰ কথা আজিৰ ৰায়ত স্থান পাইছে। ভাৰতৰ আন ঠাইতকৈ অসমৰ প্ৰব্ৰজনৰ সমস্যাৰ পৰিস্থিতি সুকীয়া বুলি ৰায়ত উল্লেখ থকাৰ কথা উল্লেখ কৰি ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যই কয় যে অসম চুক্তিত উল্লেখ থকা ভিত্তিবৰ্ষক প্ৰত্যাহ্বান জনাই যেতিয়া গোচৰ তৰা হ'ল তেতিয়া সদৌ অসম ছাত্ৰ সন্থাক এটা পক্ষ কৰা হ'ল। আমি কেৱল গোচৰটোত আঁতহে ধৰিছিলো। কিন্তু আজিৰ এই ৰায়ৰ বাবে অসম আন্দোলনৰ সময়ত আন্দোলন কৰা সকলো সংগঠনক অভিনন্দন জনাইছো। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, অসম সাহিত্য সভাকে ধৰি সকলো অসম আন্দোলনত জড়িত আছিল। এই জয় অসম আন্দোলনৰ সকলো অংশীদাৰৰ এই জয়। বহুতে চুক্তিক দোষ দিয়ে। এইখন আছিল বুজাবুজি চুক্তি। চুক্তিৰ গাত দোষ নাই। যিসকলে চুক্তিৰ বাবে কাম কৰিব লাগিছিল নকৰিলে। কিন্তু অসম আনেদালন কৰা ছাত্ৰ সন্থা বা অন্যান্য সংগঠনে একেলগে কাম কৰি আছো। কিন্তু কিছুমানে মাজতে পৰিৱেশ বিভ্ৰান্তি কৰি দিলে। ৫১ হ'ব নে ৭১ এনে কথাবোৰ কোৱা হ'ল। বেছিকৈ পালে সকলোৰে ভালেই লাগে। কিন্তু এটা বাতাৱৰণ সৃষ্টি কৰি দিয়া হ'ল। আহি পালে উচ্চতম ন্যায়ালয়। ভট্টাচাৰ্য্যই শেষত ইয়াকো কয় যে কিন্তু আজি উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰিলে যে সদৌ অসম ছাত্ৰ সন্থা, অসম চুক্তি আৰু অসম আন্দোলনৰ ঐতিহাসিক যুক্তিযুক্ততা আছে। আনহাতে, আছুৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চৰ্জুন হাগুেয়ে কয় যে মহামান্য উচ্চতম ন্যায়ালয়ে বাহাল ৰাখিলে নাগৰিকত্ব আইনৰ ৬ক দফা। সাংবিধানিক বিচাৰপীঠৰ ৪ঃ১ সংখ্যাধিক্যৰে নাগৰিকত্ব আইনৰ ৬(ক) দফা সাংবিধানিকভাৱে বৈধ ঘোষণা কৰা হ'ল। অসম চুক্তি অনুসৰি ১৯৭১ চনেই থাকিব বিদেশী বিতাৰণৰ ভিত্তিবৰ্ষ। এই ৰায়ে পুনৰ প্ৰতিষ্ঠা কৰিলে অসম আন্দোলন আৰু অসম চুক্তিৰ যুক্তিযুক্ততা। এই জয় অসম চুক্তিৰ সপক্ষে যোৱা চাৰি দশকে নিঃস্বাৰ্থভাৱে থিয় হৈ অহা অসমৰ সংগ্ৰামী জনসাধাৰণৰ জয়। এই জয় সদৌ অসম ছাত্ৰ সন্থাৰ জয়, সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ অংশীদাৰ প্ৰতিটো সংগঠনৰ জয়। এই ঐতিহাসিক ক্ষণত জাতীয় শ্বহীদসকললৈ সেৱা নিবেদিছো।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিতৰ্ক শেষ! ১৯৫১ নহয়, ১৯৭১ৰ পক্ষে

ভিত্তিবৰ্ষ সন্দৰ্ভত আদালতত চলি থকা দীৰ্ঘদিনীয়া গোচৰৰ শুনানিৰ অন্তত ভাৰতীয় নাগৰিকত্ব আইনৰ ৬(ক) ধাৰাৰ সাংবিধানিক বৈধতাক ন্যায্যতা প্ৰদান কৰে সৰ্বোচ্চ ন্যায়ালয়ে। উচ্চতম ন্যায়ালয়ৰ সাংবিধানিক বিচাৰপীঠে আজি বিদেশী নাগৰিক চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৫১ৰ বিপৰীতে ১৯৭১ চনৰ ২৫ মাৰ্চ নিৰ্ধাৰণ কৰে। দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ সূৰ্য কান্ত, এম এম সুন্দৰেশ, জে বি পাৰ্দিৱালা আৰু মনোজ মিশ্ৰৰ দ্বাৰা গঠিত বিচাৰপীঠে এই ৰায় ঘোষণা কৰে। ইয়াৰ লগে লগে বিজেপি চৰকাৰে বলপূৰ্বকভাৱে জাপি দিয়া 'কা' আইন বলৱৎকৰণ অব্যাহত ৰখাৰ ক্ষেত্ৰতো জটিলতা আহি পৰিব পাৰে বুলি চৰ্চা চলিছে। আজিৰ ৰায়ত মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ সূৰ্য কান্ত, এম এম সুন্দৰেশ আৰু মনোজ মিশ্ৰই ১৯৭১ চন ভিত্তিবৰ্ষৰ সপক্ষে ৰায়দান কৰে। আনহাতে, জে বি পাৰ্দিৱালাই ১৯৫১ চন ভিত্তিবৰ্ষৰ সপক্ষে ৰায়দান কৰে। ইফালে ভাৰতৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত পাঁচজনীয়া বিচাৰপীঠে বৃহস্পতিবাৰে নাগৰিকত্ব আইনৰ ৬(ক) ধাৰাৰ সাংবিধানিক বৈধতা বাহাল ৰাখে। এই ধাৰাই বিদেশী ভূখণ্ড বিশেষকৈ বাংলাদেশৰ পৰা ১৯৬৬ চনৰ ১ জানুৱাৰীৰ পৰা ১৯৭১ চনৰ ২৫ মাৰ্চৰ ভিতৰত অসমত প্ৰৱেশ কৰা অনুপ্ৰৱেশকাৰীসকলক নাগৰিকত্বৰ সুবিধা প্ৰদান কৰে। ১৯৮৫ চনৰ ১৫ আগষ্টত অসম চুক্তি স্বাক্ষৰ হোৱাৰ পিচত নাগৰিকত্ব আইন, ১৯৫৫ত অন্তৰ্ভুক্ত কৰা ৬(ক) ধাৰাৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বান জনোৱা কেইবাটাও পক্ষৰ আবেদনৰ ভিত্তিত শীৰ্ষ ন্যায়ালয়ে এই ৰায় ঘোষণা কৰে। প্ৰণিধানযোগ্য যে, মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ সূৰ্য কান্ত, এম এম সুন্দ্ৰেশ, জে বি পাৰ্দিৱালা আৰু মনোজ মিশ্ৰৰ সাংবিধানিক বিচাৰপীঠে ২০২৩ চনৰ ১২ ডিচেম্বৰত এই গোচৰৰ ৰায় সংৰক্ষিত ৰাখিছিল। ২০১২ চনত অসম সন্মিলিত মহাসংঘৰ নেতা মতিউৰ ৰহমানে উচ্চতম ন্যায়ালয়ত জনোৱা আবেদনৰ ভিত্তিতে দীৰ্ঘদিন ধৰি চলা শুনানিৰ অন্তত উচ্চতম ন্যায়ালয়ে এই গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰে। মহাসংঘৰ নেতা মতিউৰ ৰহমানে নাগৰিকত্ব আইনৰ ৬(ক) অনুচ্ছেদক প্ৰত্যাহ্বান জনাই অন্য ৰাজ্যৰ দৰেই অসমৰ নাগৰিকত্বৰ ভিত্তি বৰ্ষ ১৯৫১ কৰিবলৈ দাবী জনাইছিল। পৰৱৰ্তী সময়ত এই গোচৰত সদৌ অসম ছাত্ৰ সন্থা, আছাম পাব্লিক ৱৰ্কছ, আমছু আৰু জমিয়তো জড়িত হৈ পৰে। মহাসংঘ আৰু পাব্লিক ৱৰ্কছে ভিত্তিবৰ্ষ ১৯৫১ দাবী কৰাৰ বিপৰীতে বাকীকেইটা সংগঠনে ১৯৭১ৰ পক্ষ লৈছিল। মন কৰিবলগীয়া যে, নাগৰিকত্ব আইনৰ ৬(ক) ধাৰাত কোৱা হৈছে যে যিসকল লোকে ১৯৬৬ চনৰ ১ জানুৱাৰী বা তাৰ পিচত বা ১৯৭১ চনৰ ২৫ মাৰ্চৰ পূৰ্বে বাংলাদেশকে ধৰি নিৰ্দিষ্ট অঞ্চলসমূহৰ পৰা অসমলৈ আহিছিল আৰু তেতিয়াৰে পৰা উত্তৰ-পূবৰ ৰাজ্যখনৰ বাসিন্দা, ১৯৮৫ চনৰ সংশোধিত নাগৰিকত্ব আইন অনুসৰি তেওঁলোকে ভাৰতীয় নাগৰিকত্ব লাভ কৰিবলৈ ১৮ ধাৰাৰ অধীনত নিজকে পঞ্জীয়ন কৰিব লাগিব। অৰ্থাৎ এই ব্যৱস্থাই ১৯৭১ চনৰ ২৫ মাৰ্চ তাৰিখটো অসমত বাংলাদেশী প্ৰব্ৰজনকাৰীসকলক নাগৰিকত্ব প্ৰদানৰ কাট-অফ তাৰিখ নিৰ্দিষ্ট কৰি দিয়ে। ১৯৮৫ চনৰ ১৫ আগষ্টত তদানীন্তন ৰাজীৱ গান্ধী চৰকাৰে অসম আন্দোলনৰ নেতাসকলৰ সৈতে স্বাক্ষৰ কৰা 'অসম চুক্তি'ৰ সন্দৰ্ভত ১৯৫৫ চনৰ আইনখনত ৬(ক) ধাৰা অন্তৰ্ভুক্ত কৰা হৈছিল, যাতে অসমৰ সংস্কৃতি, ঐতিহ্য, ভাষিক আৰু সামাজিক পৰিচয়ক ৰক্ষা আৰু সুৰক্ষা দিব পৰা যায়। আনহাতে, শীৰ্ষ ন্যায়ালয়ে শুনানি সমাপ্ত কৰাৰ পূৰ্বে চাৰি দিন ধৰি এটৰ্নি জেনেৰেল আৰ ভেংকটৰমণী, ছলিচিটৰ জেনেৰেল তুষাৰ মেহতা, জ্যেষ্ঠ অধিবক্তা শ্যাম ডিভান, কপিল চিবাল, সঞ্জয় হেজ, চি ইউ সিং আৰু অন্যান্যসকলৰ পৰা যুক্তি শুনে। ৰায়ৰ সময়ত মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ সূৰ্য কান্ত, এম এম সুন্দৰেশ আৰু মনোজ মিশ্ৰৰ সংখ্যাগৰিষ্ঠতাৰে নাগৰিকত্ব আইনৰ ৬(ক) ধাৰাৰ বৈধতা বজাই ৰাখে। অৱশ্যে ন্যায়াধীশ জে বি পাৰ্দিৱালাই ভিন্ন মত পোষণ কৰে। মুখ্য ন্যায়াধীশে সংখ্যাগৰিষ্ঠ ৰায়টো ঘোষণা কৰি কয় যে সংসদৰ ইয়াক প্ৰণয়ন কৰাৰ আইনী ক্ষমতা আছে। অৱশ্যে ন্যায়াধীশ পাৰ্দিৱালাই ৬(ক) ধাৰাক অসাংবিধানিক বুলি অভিহিত কৰি এক ভিন্ন মত প্ৰকাশ কৰি ৰায় দিয়ে। মুখ্য ন্যায়াধীশে কয় যে অসম চুক্তি অবৈধ প্ৰব্ৰজন সমস্যাৰ এটা ৰাজনৈতিক সমাধান আৰু ধাৰা ৬(ক) ইয়াৰ আইনী সমাধান আছিল। শীৰ্ষ ন্যায়ালয়ে কয় যে স্থানীয় জনসাধাৰণক সুৰক্ষা দিয়াৰ প্ৰয়োজনীয়তাৰ সৈতে মানৱীয় উদ্বেগৰ ভাৰসাম্য ৰক্ষাৰ বাবে ধাৰা ৬(ক) প্ৰণয়ন কৰা হৈছিল। লক্ষণীয় যে, এই ৰায়ৰ ফলত অসমত বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ প্ৰক্ৰিয়া আৰু অধিক স্পষ্ট হ'ব বুলি দাবী কৰিছে বিভিন্নজনে। উচ্চতম ন্যায়ালয়ৰ এই ঐতিহাসিক ৰায়ে অসম চুক্তিৰ মূল উদ্দেশ্যক সাৰ্থক কৰি তোলাৰ লগতে ৰাজ্যখনৰ ভাষা, সংস্কৃতি আৰু পৰিচয়ৰ সুৰক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য হ'ব বুলি মন্তব্য কৰিছে বহুতে। এনে পৰিপ্ৰেক্ষিততে সৰ্বোচ্চ ন্যায়ালয়ক ৰায়ক আদৰণি জনাইছে ৰাজ্যৰ বিভিন্ন দল-সংগঠনেও। উল্লেখ্য যে, অসমীয়াৰ হেঁপাহৰ কাতি বিহুৰ দিনাখনেই ন্যায়ালয়ে প্ৰদান কৰিছে এই গুৰুত্বপূৰ্ণ ৰয়। আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে এই ৰায়ক আদৰণি জনাই কয় যে এই ৰায়ে অসম চুক্তিক ন্যায্যতা প্ৰদান কৰিছে। তেওঁ উচ্চতম ন্যায়ালয়ক ধন্যবাদ জনাই কয় যে এতিয়া ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত অহা অবৈধ নাগৰিকক চিনাক্ত কৰি বহিষ্কাৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। লুৰীণজ্যোতি গগৈয়ে লগতে উল্লেখ কৰে যে আছুৰ শপতনামাত তেওঁ স্বাক্ষৰকাৰী আছিল। তেওঁ বিজেপি চৰকাৰে অনা নাগৰিকত্ব সংশোধনী আইন অসমত বাতিল কৰিবলৈকো দাবী জনায়। আজিৰ এই ৰায়দানক বিৰোধী দল কংগ্ৰেছৰ লগতে আন বিৰোধী দলসমূহেও আদৰণি জনোৱা দেখা গৈছে। বিপৰীতে শাসকীয় বিজেপিয়ে এই পৰ্যন্ত বিষয়টোক লৈ অৱলম্বন কৰিছে মৌনতা। আনকি সততে ছ'চিয়েল মিডিয়াত সৰৱ হৈ থকা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ো সৰ্বোচ্চ ন্যায়ালয়ৰ ৰায়দানক লৈ ফেচবুক, এক্স ক'তো এই বাতৰি যুগুতোৱা সময়লৈকে টু শব্দ এটাও কৰা পৰিলক্ষিত হোৱা নাই।

# উচ্চতম ন্যায়ালয়ৰ ৰায়ক আদৰণি চিপিআইএমৰ, 'কা' শীঘ্ৰে বাতিলকৰণৰ দাবী

**ই-সংবাদ, ১৭ অক্টোবৰঃ** দীঘলীয়া বিচাৰ প্ৰক্ৰিয়াৰ অন্তত উচ্চতম ন্যায়ালয়ে নাগৰিকত্ব আইনৰ ধাৰা ১৯৫৫ৰ ৬ক বৈধ ঘোষণা কৰি ৰায় দিয়াত আদৰণি জনাইছে চিপিআইএমৰ অসম ৰাজ্যিক সমিতিয়ে। এক বিবৃতিত বামপন্থী সংগঠনটোৱে কয় যে অসম চুক্তিত ১৯৭১ চনৰ ২৫ মাৰ্চক অবৈধ বিদেশী চিনাক্তকৰণৰ সময়সীমা হিচাপে যে নিৰ্ধাৰণ কৰা হৈছে তাক আইনী ৰূপ দিবলৈ দেশৰ সংসদে ১৯৮৫ চনৰ ডিচেম্বৰত নাগৰিকত্ব আইন ১৯৫৫ত ৬ক ধাৰা সংযুক্ত কৰিছিল। এই ধাৰা অসাংবিধানিক বুলি ঘোষণা কৰিবলৈ দাবী জনাই কিছুমান সংগঠনে উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। গোচৰটোৱে অসমৰ সমাজ জীৱনত পৰিব পৰা সম্ভাব্য প্ৰভাৱ সম্পৰ্কে লক্ষ্য ৰাখি চিপিআইএমৰ অসম ৰাজ্যিক সমিতিয়ে পৰৱৰ্তী সময়ত উচ্চতম ন্যায়ালয়ত হস্তক্ষেপমূলক আবেদন কৰিছিল। ১৯৭১চনৰ সময়সীমাৰ যুক্তিযুক্ততা লিখিত বক্তব্যৰ জৰিয়তে দাঙি ধৰিছিল। উচ্চতম ন্যায়ালয়ৰ পাঁচজনীয়া বিচাৰপীঠে সকলো দিশ বিবেচনা কৰি আজি যি ৰায় প্ৰদান কৰিছে তাক সুচিন্তিত আৰু বাস্তৱসন্মত বুলি মত প্ৰকাশ কৰিছে। ১৯৭১ চনৰ সময়সীমা সংবিধান সন্মত বুলি ঘোষণা কৰাৰ পাছত অকণো পলম নকৰাকৈ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ চূড়ান্ত তালিকা সূচিত কৰাৰ জৰিয়তে এনআৰচি চূড়ান্তকৰণৰ প্ৰক্ৰিয়া খৰতকীয়া কৰা উচিত বুলি দলটোৱে কয়। উচ্চতম ন্যায়ালয়ৰ এই ৰায়ৰ পৰিপ্ৰেক্ষিতত অসমত 'কা' ৰ প্ৰয়োগ ততালিকে বন্ধ কৰা উচিত বুলিও কয় চিপিআইএমে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্বেখ হাছিনাৰ বিৰুদ্ধে জাৰি হ'ল

এইবাৰ আন এক বিপদে যেন অপেক্ষা কৰিছে বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ বাবে। আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধিকৰণে শ্বেখ হাছিনা আৰু তেওঁৰ দল আৱামী লীগৰ সাধাৰণ সম্পাদক ৱাবদুল কোৱাদেৰসহ ৪৫ জন লোকৰ বিৰুদ্ধে জাৰি কৰিছে গ্ৰেপ্তাৰী পৰোৱানা। এই পৰোৱানা অনুসৰি, তদন্তকাৰী সংস্থাটোক হাছিনাসহ আটাইকেইজন অভিযুক্তক গ্ৰেপ্তাৰ কৰি ১৮ নৱেম্বৰৰ ভিতৰত ন্যায়াধিকৰণত হাজিৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখ্য যে, বাংলাদেশৰ কোটা সংস্কাৰ আন্দোলনৰ সময়ত সংঘটিত 'গণহত্যা আৰু মানৱতাৰ বিৰুদ্ধে অপৰাধ'ৰ অভিযোগত দাখিল কৰা দুটা গোচৰৰ পৰিপ্ৰেক্ষিতত বৃহস্পতিবাৰে শ্বেখ হাছিনা আৰু অন্যসকলৰ বিৰুদ্ধে এই গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰে আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধিকৰণে। এই গোচৰ দুটাৰ ভিতৰত এটা কোটা সংস্কাৰ আন্দোলনত নিহত হোৱা ছাত্ৰ মহম্মদ মেহদীৰ পিতৃ মহম্মদ ছানাউল্লাই দাখিল কৰিছিল। আনটো গোচৰ বৈষম্য বিৰোধী ছাত্ৰ আন্দোলনৰ নিহত নেতা আৰিফ আহমেদ চিয়ামৰ পিতৃ মহম্মদ বুলবুল কবীৰে দাখিল কৰিছিল। কেৱল হাছিনাই নহয়, তেওঁৰ চৰকাৰ, দল আৱামী লীগ আৰু ইয়াৰ বিভিন্ন বিভাগৰ মন্ত্ৰী আৰু কেইবাজনো চৰকাৰী বিষয়াৰ বিৰুদ্ধেও অভিযোগ উত্থাপন হৈছিল। বাংলাদেশৰ সংবাদ মাধ্যম 'প্ৰথম আলো'ৰ মতে, বৃহস্পতিবাৰৰ শুনানিৰ সময়ত ন্যায়াধিকৰণৰ মুখ্য প্ৰচিকিউটৰ অধিবক্তা মহম্মদ তাজুল ইছলামে কয় যে, "এই অপৰাধসমূহ সমগ্ৰ বাংলাদেশতে ব্যাপক পৰিসৰত সংঘটিত হৈছে।" তেওঁ লগতে কয় যে এই অপৰাধত যদি অভিযুক্তক গ্ৰেপ্তাৰ কৰা নহয়, তেন্তে শক্তিশালী নেতাসকলৰ বিৰুদ্ধে তদন্ত চলোৱাটো কঠিন হ'ব। উল্লেখ্য যে, এই শুনানিৰ সময়ত উপস্থিত থাকে ন্যায়াধীশ মহম্মদ ছাফিউল আলম মাহমুদ আৰু অৱসৰপ্ৰাপ্ত জিলা আৰু অধিবেশন ন্যায়াধীশ মহিতুল। মন কৰিবলগীয়া যে, ৫ আগষ্টত জনসাধাৰণৰ প্ৰতিবাদৰ বাবে বাংলাদেশৰ প্ৰধানমন্ত্ৰীৰ পদৰ পৰা পদত্যাগ কৰি হাছিনাই ঢাকা এৰি ভাৰতলৈ আহে। মহম্মদ ইউনুছৰ নেতৃত্বত অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন হোৱাৰ পিছত স্বাস্থ্য পৰামৰ্শদাতা নুৰজাহান বেগমে কয় যে হাছিনা চৰকাৰৰ সহযোগত আৰক্ষীৰ আতংকত জুলাই আৰু আগষ্ট মাহত হাজাৰৰো অধিক সাধাৰণ লোকে প্ৰাণ হেৰুৱাইছিল। বহু লোক আহত হয়। শ্বেখ হাছিনাৰ বিৰুদ্ধে বিভিন্ন মহলে 'গণহত্যাৰ' অভিযোগ উত্থাপন কৰিছে। ছেপ্টেম্বৰৰ আৰম্ভণিতে হাছিনাসহ অভিযুক্তৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত আইচিটি সক্ৰিয় হৈ পৰিছিল। অন্তৰ্বৰ্তীকালীন চৰকাৰৰ বৈদেশিক পৰিক্ৰমা পৰামৰ্শদাতা মহম্মদ তৌহিদ হোছেইনে সেই সময়ত কয় যে তেওঁলোকে ন্যায়ৰ স্বাৰ্থত হাছিনাক দেশলৈ ঘূৰাই পঠিয়াবলৈ বদ্ধপৰিকৰ। প্ৰসংগক্ৰমে, ২০১০ চনত হাছিনাৰ কাৰ্যকালত ১৯৭১ চনৰ মুক্তিযুদ্ধত মানৱতাৰ বিৰুদ্ধে অপৰাধৰ গোচৰৰ বিচাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধিকৰণ গঠন কৰা হৈছিল। এই ন্যায়াধিকৰণে ইতিমধ্যে ১৯৭১ চনত মানৱতাৰ বিৰুদ্ধে অপৰাধৰ গোচৰত বহু লোকৰ বিচাৰ চলাইছে। ফাঁচীসহ বিভিন্ন কাৰাদণ্ডৰ ব্যৱস্থা কৰা হৈছে। হাছিনাৰ কাৰ্যকালত মানৱতাৰ বিৰুদ্ধে অপৰাধৰ অভিযোগত অভিযুক্ত আন কেইবাজনো লোকৰ বিচাৰো ন্যায়াধিকৰণত চলি আছিল। কিন্তু নিজৰ কাৰ্যকালতে গঠন হোৱা এই ন্যায়াধিকৰণত এতিয়া নিজেই আৱদ্ধ হ'বলগীয়া হৈছে পলৰীয়া প্ৰধানমন্ত্ৰী শ্বেখ হাছিনা। এতিয়া হাছিনাক কেনেকৈ বিচাৰি উলিয়াই সেয়া হ'ব লক্ষণীয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঐতিহাসিক ৰায় আখ্যা দিলে

অসম চুক্তিক মান্যতা প্ৰদান কৰি দেশৰ শীৰ্ষ আদালত উচ্চতম ন্যায়ালয়ে ঐতিহাসিক ৰায় দিয়ে। ১৯৮৫ চনৰ ১৪ আগষ্টৰ ৰাতি তদানীন্তন ভাৰতৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে সদৌ অসম ছাত্ৰ সন্থা আৰু অসম গণ সংগ্ৰাম পৰিষদৰ প্ৰতিনিধিৰ সৈতে ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰ কৰিছিল। ১৯৭১ চনৰ ২৫ মাৰ্চলৈ বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ নিৰ্ধাৰণ কৰি ঐতিহাসিক অসম চুক্তি কৰিছিল। আজি এই চুক্তিক মান্যতা দি উচ্চতম ন্যায়ালয়ে সেই চন আৰু তাৰিখ বাহাল ৰাখি ৰায় দিয়াত গদগদ হৈ পৰে কংগ্ৰেছ দল। বিশেষ অসম প্ৰদেশ কংগ্ৰেছ দলৰ নেতাসকলে এই ৰায়ক আদৰণি জনাইছে। অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ সন্দৰ্ভত মহামান্য উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ৰায়ক আজি আদৰণি জনাইছে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। ৰায়দানৰ পাছতে ভূপেন বৰাই সংবাদ মাধ্যমৰ মুখামুখি হৈ উচ্চতম ন্যায়ালয়ৰ ৰায়ক ঐতিহাসিক আখ্যা দিয়ে। ১৯৭১ চনৰ ২৫ মাৰ্চক ভিত্তিবৰ্ষ হিচাপে লৈ ১৯৮৫ চনৰ ১৫ আগষ্টত ৰাজীৱ গান্ধী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত যি চুক্তি হৈছিল আমি সেই দিনাৰ পৰাই অসম চুক্তিক সন্মান জনাই আহিছিলো বুলি উল্লেখ কৰে। অসম চুক্তিক অসমৰ সকলো পক্ষই বিশেষ দলিলৰূপে গ্ৰহণ কৰা বুলি উল্লেখ কৰি ভূপেন বৰাই কয় যে আমি অসম প্ৰদেশ কংগ্ৰেছ সমিতিয়ে আমাৰ নেতা ৰাজীৱ গান্ধী ডাঙৰীয়াই স্বাক্ষৰ কৰা সূত্ৰে আমি চুক্তিৰ স্বাক্ষৰকাৰী দল হিচাপে নিজক বিবেচনা কৰো আৰু আমি কেৱল কংগ্ৰেছ দলে যে অসম চুক্তিক সমৰ্থন জনাইছিলো তেনে নহয়। সেই সময়ত বাজপেয়ী ডাঙৰীয়াকে প্ৰমুখ্য কৰি বিজেপিৰ নেতৃত্বই, অসমৰ সকলো সৰু-বৰ দলে অসম চুক্তিক বিশেষ দলিলৰূপে অভিহিত কৰিছিল। পৰৱৰ্তী সময়ত অসমৰ কিছু ব্যক্তি তথা অনুষ্ঠান, বিশেষকৈ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এটা অস্থিৰ আৰু আশান্তিকৰ পৰিস্থিতি সৃষ্টি কৰিবৰ কাৰণে ৰাজনৈতিক উদ্দেশ্যে প্ৰণোদিতভাৱে এই চুক্তিখনক বিভিন্ন ধৰণে অৱমাননা কৰিবলৈ চেষ্টা কৰিছিল। যাৰ উদাহৰণ হৈছে 'কা'। উচ্চতম ন্যায়ালয়ৰ যিটো ৰায় এই ৰায়ে আমাৰ অসম চুক্তিৰ প্ৰতি যি শ্ৰদ্ধা, দায়বদ্ধতা আছিল আজি সেইখিনি কথাকে উচ্চতম ন্যায়ালয়ে দোহাৰিছে। অসম চুক্তিৰ প্ৰতি দেশৰ উচ্চতম ন্যায়ালয়ে আস্থা প্ৰকাশ কৰিছে। খিলঞ্জীয়াৰ সংজ্ঞা নিৰূপণৰ বিষয়ত মন্তব্য প্ৰদান কৰি প্ৰদেশ কংগ্ৰেছৰ সভাগৰাকীয়ে কয় যে বিভিন্নজনে জাতীয় সত্তা, খিলঞ্জীয়াৰ সংজ্ঞা নিৰূপণৰ কথা কৈ আছে। আমাৰ অসমীয়া জাতিৰ যিটো বৰভেটি সেইটো চাওলুং চ্যুকাফা দেৱে আৰম্ভ কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকদেৱে সকলোকে আকোৱালি লৈ যিটো ভেটি নিৰ্মাণ কৰিছিল, অসমীয়া জাতিয়ে সেই পথটোৰ পৰা ফালৰি কাটিব নোৱাৰো। যিটো জাতীয় চেতনা চাওলুং চ্যুকাফা আৰু শ্ৰীমন্ত শংকদেৱৰ পৰা পাইছিলো সেই চেতনাৰে আমাৰ দলে আগবাঢ়িব। বৃহত্তৰ জাতীয় সত্তা, প্ৰগতি আৰু ভাতৃত্ববোধৰ কাৰণে আমি কাম কৰি যাম। ভূপেন বৰাই শীঘ্ৰে 'কা' বাতিলৰ দাবী উত্থাপন কৰি কয় যে 'কা'খনে অসম চুক্তিক হত্যা কৰে। 'কা' আমি মানি লোৱা নাই। আমি ৰাজ্যসভাত 'কা' গৃহীত হোৱাত বাধা দিছিলো। 'কা' বিৰোধী স্থিতিত অটল আছো। আমাৰ যেতিয়া লোকসভাত সংখ্যাগৰিষ্ঠতা আহিব তেতিয়া আমি 'কা' বাতিল কৰি অসম চুক্তিৰ আত্মাক ৰক্ষা কৰিম। আনহাতে বিৰোধী দলপতি তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই এই ৰায়ক আদৰণি জনাই ৰাজীৱ গান্ধীৰ সেই সময়ৰ পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। দেৱব্ৰত শইকীয়াই কয় যে আজি ঐতিহাসিক দিন। এটা বিতৰ্ক হৈ আছিল। অসম চুক্তিৰ আধাৰত ৬ নং দফা অনুসৰি যি নাগৰিকত্ব এই আইন মতে, ১৯৭১ চনৰ ২৪ মাৰ্চৰ আগতে অহাসকলক ভাৰতীয় নাগৰিক হিচাপে গণ্য কৰা হওক। তাৰ পৰৱৰ্তী সময়ত অহাসকলক বিদেশী গণ্য কৰা হওক। আজিৰ উচ্চতম ন্যায়ালয়ৰ যি ৰায় এই ৰায়ৰ যোগেদি অসম চুক্তিৰ বৈধতা আনি দিলে। সেই সময়ত কংগ্ৰেছ দলে অসম, অসমীয়াৰ বাবে উচিত পদক্ষেপ লৈছিল সেই কথা আজি প্ৰমাণ কৰিলে। তাৰ বাবে উচ্চতম ন্যায়ালয়ৰ ধন্যবাদ জ্ঞাপন কৰিছো। নেতাসকলক ধন্যবাদ জ্ঞাপন কৰিছো। 'কা' বাতিলৰ দাবী জনাই শইকীয়াই আৰু কয় যে ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈ যে বিদেশীক ৰাখিব বিচাৰে তাৰ বিৰুদ্ধে প্ৰতিবাদ হ'ব লাগে। এই ঐতিহাসিক ৰায়ৰ পাছতে অসম চুক্তি আখৰে আখৰে পালন কৰিবলৈ পুনৰবাৰ দাবী জনাইছো। অসম চুক্তিত উল্লেখ থকা মতে বিদেশী বহিস্কাৰ হ'ব লাগে। ৰাজীৱ গান্ধী ডাঙৰীয়াই অসমৰ জনগণৰ যি আশা-আকাংক্ষা আছিল সেই সুযোগ দি অসম চুক্তি ৰূপায়ণ কৰিবলৈ আঞ্চলিক চৰকাৰ গঠনৰ বাবে সেই সময়ত নেতৃত্ব দিয়া হিতেশ্বৰ শইকীয়াৰ চৰকাৰ সময়তকৈ পূৰ্বে ভংগ কৰি নিৰ্বাচনৰ ব্যৱস্থা কৰিছিল বুলিও শইকীয়াই কয়। আজিৰ এই ৰায়দানক লোকসভাৰ বিৰোধী দলপতি গৌৰৱ গগৈয়েও আদৰণি জনাইছে। সেই সময়ৰ প্ৰধানমন্ত্ৰী প্ৰয়াত ৰাজীৱ গান্ধীয়ে ৰাজনৈতিক মতানৈক্যৰ মাজতো ছাত্ৰ নেতাসকলৰ সৈতে যোগাযোগ স্থাপন কৰাৰ বিপৰীতে এতিয়া প্ৰতিবাদ কৰিলেই চৰকাৰে দেশদ্ৰোহী আখ্যা দিয়ে বুলি কয়।

# আকাশ বন্তিৰ পোহৰত সোনাই পাৰৰ বৰহোলা পথাৰ আলোকিত




**ই-সংবাদ, মৰিগাঁও, ১৭ অক্টোবৰঃ** অভাৱৰ কঠিন সময়তো সম্ভাৱনাৰ পোহৰ দেখা ধৈৰ্য্যশীল অসমীয়া জাতিৰ গভীৰ আশাবাদক প্ৰতিফলিত কৰে কাতি বিহু উদযাপনে। কৃষি সম্পৰ্কীয়, ধৰ্মীয় তথা আধ্যাত্মিক বিশ্বাস এই বিহুটিৰ সৈতে সংপৃক্ত হৈ আছে। শস্যৰ সুৰক্ষা আৰু কৃষক ৰাইজৰ মংগল আৱাহন কৰি তুলসী তলত বন্তি জ্বলোৱাৰ নিয়ম তথা পৰম্পৰা অসমৰ জনজীৱনৰ অভিন্ন লোকাচাৰ। আজিৰ এই পৱিত্ৰ বিহুটিত মৰিগাঁওবাসীৰ মংগল কামনা কৰাৰ লগতে কৃষক-ৰাইজৰ সমৃদ্ধিশালী ভৱিষ্যতৰ বাবে প্ৰাৰ্থনা জনাই মৰিগাঁও জিলা কৃষি বিভাগে জিলা প্ৰশাসনৰ সহযোগত কেন্দ্ৰীয়ভাৱে কাতি বিহু উদযাপন কৰে। মিকিৰভেটা কৃষি চক্ৰৰ অন্তৰ্গত চৰাইবাহীৰ সোনাই নৈ পাৰ, বৰহোলা পথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত অনুষ্ঠানত কাতি বিহুৰ পৰম্পৰা ৰক্ষা কৰি কৃষকৰ শ্ৰীবৃদ্ধিৰ কামনাৰে আনুষ্ঠানিকভাৱে পথাৰত আকাশ বন্তি প্ৰজ্বলন কৰা হয়। জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাৰ সঞ্চালনাত আৰু আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসৰ উপস্থিতিত আয়োজিত অনুষ্ঠানত মৰিগাঁৱৰ অতিৰিক্ত আয়ুক্ত (কৃষি) অনুসুয়া শৰ্মাই তুলসী তলৰ বন্তিৰ পোহৰে কৃষক ৰাইজৰ জীৱন আলোকিত কৰাৰ কামনাৰে পথাৰত আকাশ বন্তি আৰু তুলসীৰ তলত বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানৰ আধ্যাত্মিকতাৰ লগত সংগতি ৰাখি আমন্ত্ৰিত নামৰ দলৰ দ্বাৰা দিহানাম পৰিৱেশন কৰাৰ লগতে মৰিগাঁৱৰ কৃষি খণ্ডলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে তিনিগৰাকী চিৰনমস্য কৃষক ক্ৰমে মহন্ত বৰদলৈ, ভব বৰা, ৰুচিনাথ বৰাক জিলা কৃষি বিভাগৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানতে কৃষক সকলৰ মাজত কৃষি বিভাগৰ দ্বাৰা ৰূপায়িত বিভিন্ন আঁচনিৰ সজাগতা সন্দৰ্ভত এক মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়।

## আবকাৰী বিভাগৰ সচিবক তদন্তৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

# সুৰা নিষিদ্ধ বিহাৰত বিষাক্ত সুৰা সেৱন কৰি আকৌ সাতাইশ জনৰ মৃত্যু

**পাটনা, ১৭ অক্টোবৰঃ** সুৰা নিষিদ্ধ বিহাৰত বিষাক্ত সুৰা সেৱন কৰি পুনৰ মৃত্যুৰ কোলাত ঢলি পৰিল কুৰিজনৰো অধিক লোক। শেহতীয়াকৈ ৰাজ্যখনত বিষাক্ত সুৰা সেৱনৰ ফলত ২৭ জন লোকৰ মৃত্যু ঘটাৰ খবৰ প্ৰকাশৰ পিছতে নীতিশ কুমাৰ চৰকাৰৰ বিৰুদ্ধে আক্ৰমণাত্মক হৈ পৰিছে বিৰোধী। ইফালে এই ঘটনাৰ পিছতে এখন উচ্চস্তৰীয় বৈঠকৰ আহ্বান কৰে মুখ্যমন্ত্ৰী নীতিশে। চিএমৰ কাৰ্যালয়ে এক বিবৃতিত জানিবলৈ দিয়া মতে, এই বৈঠকত মুখ্যমন্ত্ৰীয়ে আবকাৰী বিভাগৰ সচিবক ঘটনাস্থলীলৈ গৈ তদন্ত কৰিবলৈ নিৰ্দেশ দিছে। ঘটনাৰ ক্ষীপ্ৰ, ন্যায্য আৰু নিৰপেক্ষ তদন্তৰো নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে। ইফালে, বিহাৰত সুৰা বিক্ৰীত নিষেধাজ্ঞা জাৰি হৈ থকাৰ পিছতো বাৰে বাৰে বিষাক্ত সুৰা সেৱনৰ ফলত মানুহৰ মৃত্যুক লৈ চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে বিৰোধী। প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী তথা আৰজেডি নেতা তেজস্বী যাদৱে বৃহস্পতিবাৰে কয়, "বিহাৰত চৰকাৰে সুৰা নিষিদ্ধ কৰিছে। ইয়াৰ পিছতো বিষাক্ত সুৰাৰ ফলত ২৭ জন লোকৰ মৃত্যু হয়। আনকি কোনো কোনোৱে চকুৰ দৃষ্টিশক্তিও হেৰুৱাই পেলাইছে। সুৰাৰ বিক্ৰী আৰু সেৱন নিষিদ্ধ হৈ থকা সময়ত এনে ঘটনা কেনেকৈ ঘটিবলৈ পালে? আচলতে শাসকীয় দল, নেতা, আৰক্ষী আৰু মাফিয়াৰ সহযোগত প্ৰতিটো চৌহদত, প্ৰতিটো চুকতে মদ পোৱা যায়।" লক্ষণীয় যে, বিষাক্ত সুৰা সেৱন কৰি মানুহৰ মৃত্যুক লৈ নীতিশ কুমাৰৰ বিৰুদ্ধে বিৰোধী সৰৱ হৈ পৰিলেও এনে ঘটনাক লৈ নৰম স্থিতি গ্ৰহণ কৰি আছে মিত্ৰজোঁটৰ সহযোগী বিজেপিয়ে। বিজেপি নেতা নীতিন নবীনে কয়, "এই ঘটনাৰ লগত জড়িত সকলোকে চিনাক্ত কৰি তৎকালীনভাৱে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। সুৰা নিষিদ্ধ কৰাৰ নিৰ্দেশ দিয়া মুখ্যমন্ত্ৰী নীতিশ কুমাৰে এই ঘটনাৰো ক্ষিপ্ৰ তদন্ত কৰিব।"



দিল্লীত প্ৰদেশ যুৱ কংগ্ৰেছ কমিটিৰ বিষয়ববীয়া সকলৰ সৈতে সাংসদ গৌৰৱ গগৈ

# পুৰণিগুদামত চোৰৰ চাফাই অভিযান, নিলে গোহালিৰ চাৰিটা গৰু

**ই-সংবাদ, পুৰণিগুদাম, ১৭ অক্টোবৰ:** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত গ্ৰামাঞ্চল সমূহত ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে চোৰৰ উপদ্ৰৱ। মানুহৰ জীৱন আৰু সম্পত্তি সুৰক্ষাৰ ক্ষেত্ৰত চামগুৰি আৰক্ষীৰ ব্যৰ্থতাক প্ৰমাণ কৰি পুৰণিগুদামৰ কৃষিজীৱী এটি পৰিয়ালত চোৰে চলালে চাফাই অভিযান। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত পুৰণিগুদাম আৰক্ষী পহৰা চকীৰ এলেকাধীন পুৰণিগুদাম আলিছিঙাৰ অনিল শইকীয়া নামৰ এজন লোকৰ গৰুৰ গোহালি উদং কৰি লক্ষ্মী পূজাৰ দিনাই পুৱতি নিশা চোৰে লুটি লৈ গ'ল চাৰিটাকৈ গৰু।আজি কাতি বিহুৰ দিনা পুৱাই লোকজনে গোহালিৰ পৰা গৰু উলিয়াবলৈ গৈ মৰমৰ গৰুকেইটা নেদেখি দুখত ভাগি পৰে আৰু সৃষ্টি হয় এক হাঁহাকাৰময় পৰিস্থিতি। ইতিমধ্যে পুৰণিগুদাম আৰক্ষীক গৰু চুৰি সন্দৰ্ভত দুৰ্ভগীয়া লোকজনে এখন এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। আনহাতে, প্ৰতিৱেশীসকলেও চাৰিওপিনে চুৰি গৰুকেইটা বিচাৰি চলাথ কৰিছে যদিও বাতৰি লিখা পৰলৈকে চুৰি গৰু কেইটাৰ সন্ধান পোৱা নাই।

## ভুক্তভোগী কিশোৰীক বিয়া কৰোৱাৰ চৰ্ত

# ধৰ্ষণকাৰীক জামিন এলাহাবাদ উচ্চ ন্যায়ালয়ৰ

**লক্ষ্নৌ, ১৭ অক্টোবৰঃ** ধৰ্ষণৰ অভিযুক্তই বিয়া কৰাব লাগিব ভুক্তভোগী কিশোৰীগৰাকীক আৰু দায়িত্ব ল'ব লাগিব সদ্যোজাত দেৰশিশুটিৰ। এই চৰ্তেতে উত্তৰ প্ৰদেশৰ এজন ধৰ্ষণ অভিযুক্তৰ জামিন মঞ্জুৰ কৰিছে এলাহাবাদ উচ্চ ন্যায়ালয়ে। তিনি মাহৰ ভিতৰত ভুক্তভোগী কিশোৰীগৰাকীক বিয়া কৰাই নৱজাতকৰ দায়িত্ব লোৱাৰ চৰ্তত উচ্চ ন্যায়ালয়ে অভিযুক্তৰ জামিন মঞ্জুৰ কৰে। বুধবাৰে ধৰ্ষণৰ অভিযুক্তৰ জামিন মঞ্জুৰ কৰি এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ কৃষ্ণন পহলে নিৰ্দেশ দিয়ে যে জামিনত মুকলি হোৱাৰ ছমাহৰ ভিতৰত নৱজাতকৰ নামত ২ লাখ টকাৰ ফিক্সড ডিপ'জিট বেংকত খুলিব লাগিব অভিযুক্তজনে। উল্লেখ্য যে, উত্তৰ প্ৰদেশত সংঘটিত এই ধৰ্ষণকাণ্ডৰ ভুক্তভোগীগৰাকী নাবালিকা বুলি অভিযোগ উত্থাপন কৰিছিল পৰিয়ালৰ লোকে। ইয়াৰ পিছতে আৰক্ষীয়ে অভিযুক্তৰ বিৰুদ্ধে প'ক্স' আইনৰ অধীনত গোচৰ ৰুজু কৰে। অৱশ্যে অভিযুক্তই এই ধৰ্ষণৰ অভিযোগ অস্বীকাৰ কৰাৰ লগতে ভুক্তভোগীগৰাকীৰ বয়স ১৮ বছৰৰ বেছি বুলি দাবী কৰে। অভিযুক্তৰ অধিবক্তাই আদালতত জামিনৰ বাবে আবেদন জনাই কয় যে দুয়োৰে মাজত সন্মতিক্ৰমেহে শাৰীৰিক সম্পৰ্ক স্থাপন হৈছিল। আদালতত তেওঁ ভুক্তভোগীক বলপূৰ্বক যৌন সম্পৰ্কৰ অভিযোগ খাৰিজ কৰে। অন্যহাতে জামিন আবেদনৰ সময়ত অভিযুক্তই কয় যে তেওঁ ভুক্তভোগীক বিয়া কৰাবলৈ ইচ্ছুক আৰু নৱজাতকৰো দায়িত্ব ল'ব বিচাৰে। তেওঁৰ অধিবক্তাই আদালতত কয় যে জামিন লাভ কৰিলে অভিযুক্তই স্বাধীনতাৰ অপব্যৱহাৰ নকৰে। দুয়োপক্ষৰ বক্তব্য শুনাৰ পিছতে আদালতে অভিযুক্তক চৰ্তসাপেক্ষ জামিন প্ৰদান কৰে। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ এগৰাকী ন্যায়াধীশে কয়, "কোনটো ঘটনা নিৰ্যাতন বা কোনটো ঘটনা সন্মতিসাপেক্ষে হৈছে, তাৰ মাজত পাৰ্থক্য কৰাটো কঠিন। কিন্তু কাৰো লগত যাতে কোনোধৰণৰ অন্যায় কৰা নহয়, তাৰ বাবে আদালতে বিষয়টো সতৰ্কতাৰে পৰ্যবেক্ষণ কৰিব লাগিব।"



যুৱকৰ মৃত্যুৰ পিছতে ত্ৰিপুৰাৰ দক্ষিণ আগৰতলাত উত্তপ্ত পৰিস্থিতি

# লকআপত নিৰ্যাতনৰ পিছত যুৱকৰ মৃত্যু, ৫ আৰক্ষীক আটক

**ই-সংবাদ, আগৰতলা, ১৭ অক্টোবৰঃ** চুৰিৰ অভিযোগত আটক কৰা এজন যুৱকক আৰক্ষী জিম্মাৰ পৰা মুকলি কৰি দিয়াৰ পিছতে মৃত্যু ঘটাক লৈ তীব্ৰ চাঞ্চল্যই বিৰাজ কৰিছে দক্ষিণ ত্ৰিপুৰাত। যুৱকজনৰ মৃত্যুৰ পিছতে আৰক্ষী জিম্মাত যুৱকজনক নিৰ্যাতন চলোৱাৰ অভিযোগ তোলে পৰিয়ালৰ লোকে। স্থানীয় ৰাইজ আৰু যুৱকজনৰ পৰিয়ালে নিৰ্যাতনকাৰী আৰক্ষী কেইজনক গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি বিহাৰ দাবীৰে প্ৰতিবাদ জনোৱাৰ পিছতে আটক কৰা হয় পাঁচজন আৰক্ষী জোৱানক। উল্লেখ্য যে, দক্ষিণ ত্ৰিপুৰাত এই ঘটনা সংঘটিত হয় যোৱা ১৩ অক্টোবৰত। গুদামৰ পৰা ৰবৰৰ শ্বীট চুৰি কৰাৰ অভিযোগত ৰাইজে আটক কৰি যুৱকজনক আৰক্ষীক গতাই দিছিল। ইয়াৰ পিছত যুৱকজনক ২৪ ঘণ্টা লক-আপত ৰাখি পিছদিনা অৰ্থাৎ ১৪ অক্টোবৰত ঘৰলৈ যাবলৈ দিয়া হয়। কিন্তু জিম্মাৰ পৰা মুকলি হৈ ঘৰলৈ অহাৰ পিছতে অসুস্থ হৈ মৃত্যু ঘটে যুৱকজনৰ। ইয়াৰ পিছতে পৰিয়াল আৰু স্থানীয় ৰাইজে বৃহস্পতিবাৰে আৰক্ষী থানা ঘেৰাও কৰাৰ লগতে মনুবজাৰৰ সমীপত আগৰতলা-চবৰুম ৰাষ্ট্ৰীয় ঘাইপথত অৱৰোধ কৰি যুৱকজনৰ মৃত্যুৰ তদন্তৰ দাবী জনায় আৰু অভিযুক্ত আৰক্ষী কেইজনক দৃষ্টান্তমূলক শাস্তি বিহাৰ দাবী জনায়। ৰাইজ আৰু পৰিয়ালৰ এনে তীব্ৰ প্ৰতিবাদৰ ওচৰত সেও মানি অৱশেষত আৰক্ষীয়ে ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰি অভিযুক্ত দুজন কনিষ্টবল আৰু তিনিজন বিষয়াক আটক কৰে। লক্ষণীয় যে, আৰক্ষীৰ নিৰ্যাতনত যুৱকজনৰ মৃত্যুৰ অভিযোগ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এজন আৰক্ষী বিষয়াই দাবী কৰে যে যুৱকজনক আৰক্ষীয়ে আটক কৰাৰ আগতেই তেওঁ অসুস্থ আছিল। কিন্তু আৰক্ষী বিষয়াজনৰ এই দাবী মানিবলৈ অস্বীকাৰ কৰি মৃত যুৱকজনৰ পৰিয়ালে কয় যে তেওঁ সম্পূৰ্ণ সুস্থ আৰু সবল আছিল।

# শিঙিয়াদলনি গোপাল কৃষ্ণ গৰখীয়া থানত কাতি বিহু পালন



**ই-সংবাদ, বেবেজীয়া, ১৭ অক্টোবৰঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰেই নগাঁও জিলাত উলহ-মালহেৰে পালন কৰা হয় অসমীয়াৰ বাপতি সাহোন কাতি বিহু। জিলাখনৰ সৰ্বত্ৰে অসমীয়া জাতীয় সংস্কৃতি তথা বৰ্ণাঢ্য লোক পৰম্পৰাক সৰোগত কৰি উদযাপিত কৰে কৃষিজীৱি ৰাইজৰ অন্যতম লোক উৎসৱ। জিলাখনৰ পশ্চিম প্ৰান্তৰ ১২ খন গাঁৱৰ ৰাইজ একত্ৰিত হৈ পূৰ্ব পৰম্পৰাক সাৰোগত কৰি উদযাপন কৰিলে কাতি বিহু। ঐক্য-সংহতিৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰি গঞাই বিগত বৰ্ষবোৰৰ দৰে এইবেলিও ঐতিহ্যমণ্ডিত শিঙিয়া দলনি সাৰ্বজনীন শ্ৰী শ্ৰী গোপাল কৃষ্ণ গৰখীয়া থানত উদযাপন কৰে কাতি বিহু। নসত্ৰ, কহুৱাতলী, ৰাইদঙীয়া, মুকলি গাঁও, ভোগবাৰী, আলিচিগা, গাখজুৰা, আইভেটি, পহুকটা আদি গাঁৱৰ ৰাইজৰ উপস্থিতিৰে একপ্ৰকাৰে উদুলি-মুদুলি পৰিবেশৰ সৃষ্টি হয় থান প্ৰাংগনত। গঞাই পুৱাৰ ভাগত পতাকা উত্তোলন কৰাৰ পিছতে নাম-কীৰ্তনেৰে থান প্ৰাংগণ মুখৰিত কৰি তোলাৰ অন্তত দুপৰীয়া ৰবাব টেঙা খোৱা পৰ্ব পালন কৰে। কাতি বিহুৰ চিৰাচৰিত পৰম্পৰা ৰক্ষা কৰি ধাননি পথাৰৰ দাঁতিত শিশু-যুৱক-যুৱতী আৰু বয়োজ্যেষ্ঠ সকলে মিলি ৰবাব টেঙা গুছাই হাঁহি-ধেমালীৰ মাজেৰে ৰবাব টেঙাৰ সোৱাদ লোৱাৰ লগতে পথাৰত চাকি-বন্তি জ্বলাই সকলোৰে মংগল কামনাৰে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাই। তদুপৰি কাতি বিহুৰ উছাহত বিলীন হৈ পৰা ৰাইজে নাচি-বাগি আনন্দ-স্ফূৰ্তিত মছগুল হৈ পৰাৰ সমান্তৰালভাৱে সন্ধিয়া আকাশ বন্তি জ্বলাই কাতি বিহুৰ পৰম্পৰা ৰক্ষা কৰে। যাৰ পৰিণতিত ভোমোৰাগুৰি-নসত্ৰ সংযোগী পথৰ কাষত অৱস্থিত শিঙিয়া দলনিৰ গোপাল কৃষ্ণ গৰখীয়া থান অগণন পুৰুষ-মহিলা, শিশু, ডেকা-গাভৰুৰ উপস্থিতিৰে সমন্বয় ক্ষেত্ৰত পৰিণত হৈ পৰা দেখা যায়।

# বিন্নাকান্দি উন্নয়ন খণ্ডত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা মিছনত কোটিটকীয়া কেলেংকাৰী

**ই-সংবাদ, মোৰাঝাৰ, ১৭ অক্টোবৰঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে পৰিচালনা কৰা নাৰী সৱলীকৰণৰ এক শক্তিশালী মাধ্যম হৈছে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা মিছন। পিছে, এই মিছনৰ জৰিয়তে নাৰী সৱলীকৰণৰ পৰিৱৰ্তে বিভাগটোত কৰ্মৰত এচাম বিষয়াৰ লুণ্ঠনৰ অভিকেন্দ্ৰ হৈ পৰিছে। বিন্নাকান্দি উন্নয়ন খণ্ডৰ অধীনত থকা অসম ৰাজ্যিক গ্ৰামীন জীৱিকা মিছনত বিভিন্ন আঁচনি, আত্ম সহায়ক গোটৰ মহিলাক প্ৰশিক্ষণৰ নামত কোটি টকীয়া কেলেংকাৰীৰ তথ্য পোহৰলৈ আহিছে। কেৱল সেয়াই নহয়, এই মিছনৰ জৰিয়তে আৱন্টিত ধন একাংশ বিষয়াই নিজৰ ব্যক্তিগত বেংক একাউন্টৰ জৰিয়তে সৰকাই লৈ যোৱাৰ তথ্যও পোহৰলৈ আহিছে। বাতৰি অনুসৰি চৰকাৰে গ্ৰাম্য অঞ্চলৰ মহিলাসকলক স্ব-সহায়ক গোটৰ জৰিয়তে স্বাৱলম্বী কৰাৰ মানসেৰে বিভাগটোলৈ সময়ে সময়ে বিভিন্ন আঁচনি আৰু আত্মসহায়ক গোটৰ মহিলাসকলক প্ৰশিক্ষণ প্ৰদানৰ নামত কোটি টকা আৱন্টন দিছে যদিও এই ধনৰ দ্বাৰা আত্মসহায়ক গোটৰ মহিলাৰ কোনো উন্নয়ন নহলেও ইয়াৰ দ্বাৰা এচাম বিষয়াৰ পকেট গধুৰ হোৱাৰ তথ্য পোহৰলৈ আহিছে। বিন্নাকান্দি উন্নয়ন খণ্ড এলেকাত বিভিন্ন গাঁৱৰ চাৰি শতাধিক আত্মসহায়ক গোট অসম ৰাজ্যিক জীৱিকা মিছনৰ অধীনত পঞ্জীয়ন হৈ আছে। এই গোটবোৰক নিয়াৰীকৈ পৰিচালনাৰ বাবে চৌধুৰী বজাৰ চিএলএফ, শংকৰ আজান চিএলএফ, মোৰাঝাৰ চিএলএফ, জীৱন সঞ্জীৱনী চিএলএফ নামৰ মণ্ডল পৰ্যায়ৰ তদাৰকী গোট আছে। এই মণ্ডল পৰ্যায় গোট বা চিএলএফ বোৰক চোৰাচিতাৰ বাবে চৰকাৰে ব্লক পৰ্যায়ত সমন্বয়ক নিযুক্তি দিছে। বিন্নাকান্দি উন্নয়ন খণ্ডৰ অধীনত থকা জীৱিকা মিছনৰ সমন্বয়ক ৰূপে কাম কৰা মানসজ্যোতি বৰা, সীমান্ত পাঠক আৰু প্ৰহ্লাদ কাকতী এই ত্ৰিমূৰ্তিয়ে বিগত ৬/৭ বছৰৰ পৰা চোৰাচিতা কৰি আহিছে। ব্লক পৰ্যায়ৰ সমন্বয়কসকলে মণ্ডল পৰ্যায়ৰ গোটবোৰক অন্ধকাৰত ৰাখি বিভিন্ন শিতানত আৱন্টিত ধন হৰলুকি কৰাৰ তথ্য পোহৰলৈ আহে। এই বিষয়ে চিএলএফৰ সভানেত্ৰী বা অইন বিষয়ববীয়াই হিচাপ বিচাৰিলে ব্লক সমন্বয়ক সকলে বিভিন্ন ধৰণৰ ভাবুকি দি অহাৰ অভিযোগ উত্থাপন হৈছে। কাৰ্যকৰী কমিটিৰ অনুমোদন নোহোৱাকৈ ব্লক সমন্বয়কসকলে নিজ ইচ্ছাৰে গোটৰ ধনবোৰ ব্যৱহাৰ কৰাৰ অভিযোগ তুলি ইতিমধ্যে চিএলএফৰ মহিলাসকলে অসম ৰাজ্যিক জীৱিকা মিছনৰ সঞ্চালিকা, হোজাই জিলা আয়ুক্ত আৰু খণ্ড উন্নয়ন বিষয়াক পৃথকে পৃথকে অভিযোগ দাখিল কৰিছে। আজি বিন্নাকান্দি জীৱিকা মিছনৰ কাৰ্যালয়ত এই বিষয়বোৰৰ হিচাপ নিকাচ লৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। আমাৰ হাতত পৰা তথ্য মতে, বিন্নাকান্দি জীৱিকা মিছনৰ কাৰ্যালয়ত কৰ্মৰত ব্লক সমন্বয়ক প্ৰহ্লাদ জ্যোতি কাকতীয়ে চৌধুৰী বজাৰ মণ্ডল পৰ্যায়ৰ গোটৰ পৰা নিজৰ ব্যক্তিগত বেংক একাউন্টলৈ ১৪ ছেপ্টেম্বৰ ২০২১ত ১ লাখ ২৫ হাজাৰ টকা, ১৯ জুলাই ২০২১ত ৫০ হাজাৰ টকা, ৯ ফেব্ৰুৱাৰী ২০২১ত ৪৫ হাজাৰ টকা হস্তান্তৰ কৰাৰ তথ্য পোহৰলৈ আহে। একেদৰে কৰণা মহামাৰীৰ সময়ত সমাজ জীৱন স্তব্ধ হৈ পৰাৰ সময়তো বিন্নাকান্দি জীৱিকা মিছনত বিভিন্ন শিতানৰ পৰা লাখ লাখ টকাৰ নগধ ধন সৰকাই লৈ যোৱাৰ তথ্য পোহৰলৈ আহিছে। ব্লকৰ আভ্যন্তৰীণ অ'ডিটতো এই বিসংগতি ধৰা পৰিছে যদিও পাকে-প্ৰকাৰে সকলোকে মেনেজ কৰা হ'ল। বিন্নাকান্দি আজীৱিকা মিছনৰ অধীনত কেৱল সঞ্জীৱনী চিএলএফৰ পৰা ১৬ লাখ ৮ হাজাৰ ৪শ টকা আত্মসাৎ কৰা হৈছে। বাকী চিএলএফ মিলি এক কোটি ২২ লাখ টকাৰ কেলেংকাৰী হোৱা বুলি অভিযোগ উঠিছে। ইয়াতে উল্লেখ কৰা প্ৰয়োজন যে, ব্লক সমন্বয়ক সীমান্ত, প্ৰহ্লাদ আৰু মানস জ্যোতিয়ে চিএলএফৰ একাউন্ট, গাওঁ পৰ্যায়ত থকা গোট (ভি অ'), দাৰিদ্ৰতা হ্ৰাসকৰণ আঁচনি (ভিআৰএফ)ৰ পুঁজিৰ ধন বেংকৰ পৰা নগধ উঠাই লৈ যোৱা, কণকলতা মহিলা সৱলীকৰণ যোজনাৰ ধন বেংকৰ পৰা নগধ উঠাই লৈ যোৱা, বিভিন্ন আঁচনিৰ অধীনত প্ৰশিক্ষণৰ বাবে আৱন্টিত ধন এই ত্ৰিমূৰ্তিয়ে বেংকৰ পৰা নগধ উঠাই লোৱাৰ অভিযোগ উত্থাপন হৈছে। বেংকৰ ঋণৰ ধনো আত্মসাত কৰাৰ অভিযোগ উত্থাপন হৈছে। এই সমগ্ৰ বিষয়ৰ ওপৰত এক সঠিক তদন্তৰ দাবী উত্থাপন হৈছে। কোনো ধৰণৰ পকী বিল-ভাউচাৰ অবিহনে আৰু কাৰ্যকৰী সমিতিৰ অনুমোদন নোহোৱাকৈ ব্লক সমন্বয়কসকলে বেংক একাউন্টৰ পৰা লাখে লাখে ধন উঠাই লৈ যোৱাৰ পিছতো নীৰৱ বিভাগীয় কৰ্তৃপক্ষ।

# ৫০০গচি বন্তি প্ৰজ্বলন, ৰঙিয়াৰ তুলসীবাৰীত কৃষি বিভাগৰ সৌজন্যত কাতি বিহু

**ই-সংবাদ, ৰঙিয়া, ১৭ অক্টোবৰঃ** কামৰূপ জিলা কৃষি বিভাগৰ সৌজন্যত তথা ৰঙিয়া মহকুমা কৃষি বিভাগৰ উদ্যোগত আজি তুলসীবাৰী গৰখীয়া গোপাল মাৰলী থানত কাতি বিহু উদযাপন কৰা হয়। মহকুমা কৃষি বিষয়া দুৰ্লভ দাসে আত ধৰা মুকলি সভাত অংশগ্ৰহণ কৰে স্থানীয় বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই। ভাষণ প্ৰসংগত কলিতাই কয় যে সম্প্ৰতি কৃষি খণ্ডত নিয়োজিত খেতিয়কসকলে ধানৰ উচিত মূল্য লাভ কৰিবলৈ সক্ষম হৈছে। অকল সেয়াই নহয়, সবিয়হকে ধৰি প্ৰতিবিধ উৎপাদিত সামগ্ৰীৰ উচিত মূল্য কৃষিজীৱি লোকে লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজ্য চৰকাৰৰ পদক্ষেপৰ অংশ হিচাবে কৃষি আমাৰ, ধান আমাৰ, পথাৰ আমাৰ। সেয়েহে কৃষিৰ আন এক বৃহৎ উৎসৱ কাতি বিহুৰ পৰম্পৰা আমি সকলোৱে ধৰি ৰাখিব লাগিব বুলি ভাষণ প্ৰসংগত আহ্বান জনাই ভবেশ কলিতাই। আনহাতে সভাত কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই প্ৰথমবাৰৰ বাবে কাতি বিহুৰ পৰিৱেশ ৰঙিয়াত উপভোগ কৰিবলৈ পাই আনন্দ প্ৰকাশ কৰে। কৃষি খণ্ডত কাতি বিহুৰ প্ৰাসংগিকতা সম্পৰ্কেও ভাষণ প্ৰসংগত আলোকপাত কৰে মিশ্ৰই। একেখন মঞ্চতে কৃষি বিভাগৰ উদ্যোগত কৃষক সজাগতা সভা অনুষ্ঠিত কৰা হয়। মাজত ফচল বীমা যোজনাৰ প্ৰমাণ পত্ৰ আৰু কৃষি সঁজুলিও বিতৰণ কৰা হয়। আয়তীৰ নাম, বিহু নৃত্য-গীতেৰে মুখৰিত পৰিৱেশত ৰঙিয়া সমজিলা আয়ুক্ত দেৱাশীষ গোস্বামী, কামৰূপ জিলা কৃষি বিষয়া ধীৰেন কাৰ্জি, অতিৰিক্ত জিলা আয়ুক্ত কমল বৰা, চক্ৰ বিষয়া দেৱাশীষ বৰঠাকুৰো উপস্থিত থাকে। ইফালে কাতি বিহুৰ পৰম্পৰা অক্ষুন্ন ৰাখি তুলসীবাৰী গৰখীয়া গোপাল মাৰলী থানৰ সংলগ্ন বিশাল কৃষি পথাৰত ৫০০ গচি বন্তিৰ লগতে আকাশবন্তিও প্ৰজ্বলন কৰা হয়।

# আদিম যুগৰ দৰে বসবাস, জৰাজীৰ্ণ কাঠৰ দলংখনো নিৰ্মাণ নকৰিলে চৰকাৰে

**ই-সংবাদ, পৰ্বতঝোৰা, ১৭ অক্টোবৰঃ** এখন দলঙৰ অবাৰত হাহাকাৰ কৰিছে ধুবুৰী জিলাৰ এটা বৃহৎ এলেকাৰ লোকে। আজিও জইচ আৰু বাঁহৰ টুকুৰাৰ ওপৰেৰে গাড়ী মটৰ পাৰ কৰি বহিঃজগৰ সৈতে সংযোগ কৰিবলগীয়া হয় বৃহৎ এলেকাৰ লোকে। ধুবুৰী জিলাৰ পৰ্বতঝোৰাৰ মদাতী-গৌৰীপুৰ সংযোগী পথত কাঠৰ দলঙৰ জৰাজীৰ্ণ অৱস্থাই যমৰ-যাতনা ভুগিছে ৰাইজে। দেশ স্বাধীন হোৱাৰ সত্তৰ বছৰ পাৰ হোৱাৰ পিছতো মৰণক শৰণ কৰি যাতায়ত কৰিবলগীয়া হৈছে। হাগ্ৰামা মহিলাৰীৰ ১৭ বছৰীয়া শাসনকাল তথা কংগ্ৰেছৰ দিনত দলংখন নিৰ্মাণ কৰা নহ'ল।



বিজেপিৰ ৮ বছৰীয়া কাৰ্যকালতো দলংখন নিৰ্মাণ কৰা নহ'ল। বৰ্তমানৰ বিটিআৰ প্ৰধান প্ৰমোদ বড়ো চৰকাৰে আজি পৰ্যন্ত দলংখন নিৰ্মাণ নকৰিলে। ফলত মদাতী অঞ্চলৰ বাসিন্দাই আজি ভঙা কাঠৰ দলঙেৰে আহ-যাহ কৰিবলগীয়া হয়।




# তিনিচুকীয়াত কৃষি বিভাগৰ উদ্যোগত কাতি বিহু উদযাপন

**ই-সংবাদ, ডুমডুমা, ১৭ অক্টোবৰঃ** আজি কাতি বিহু। অসম চৰকাৰৰ কৃষি বিভাগৰ আহ্বান মৰ্মে তিনিচুকীয়া জিলাৰ কৃষি বিভাগৰ উদ্যোগত টিংৰাইৰ পানীখোৱা গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰাইডাং বঙালীগাঁৰৰ খেতিপথাৰত পালন কৰা হয় কাতি বিহু। কৃষকসকলৰ বাবে বিভিন্ন আঁচনিৰ সম্পৰ্কত এক সজাগতামূলক সভাও অনুষ্ঠিত হয়। আঁচনি বিষয়া যামিনী শইকীয়াই বৰগীতেৰে আৰম্ভ হোৱা সভাত কৃষকসকলক কাতি বিহুৰ শুভেচ্ছা প্ৰদান কৰি চৰকাৰী উন্নয়নমূলক আঁচনিসমূহৰ ওপৰত বক্তব্য দাঙি ধৰে জিলা সহকাৰী কৃষি সঞ্চালক ৰজিত দত্তই। তিনিচুকীয়া জিলাৰ কৃষি বিভাগৰ লগতে মাৰ্ঘেৰিটা মহকুমা আৰু শদিয়া মহকুমাত কাতি বিহু পালন কৰা হয়। তিনিচুকীয়া জিলা কৃষি বিভাগৰ উদ্যোগত উদযাপন কৰা সভাত জিলা উন্নয়ন আয়ুক্ত পবিত্ৰ কুমাৰ দাস, পাপু গগৈ, কিষাণ মৰ্চাৰ মণ্ডল সভাপতি কুন্দন বৰগোহাঁই, সমাজকৰ্মী উইলচন হাছাৰ উপস্থিতি থাকি কৃষক ৰাইজৰ বাবে ৰূপায়ন কৰা বিভিন্ন আঁচনিসমূহৰ পৰা কেনেকৈ লাভান্বিত হ'ব পাৰে, তাৰ বিষয়ে আলোচনা কৰা হয়। দুগৰাকী উদ্যমী কৃষক গোজ মৰাণ আৰু দেহীৰাম গগৈক কৃষি উপযোগী সামগ্ৰীয়ো প্ৰদান কৰা হয়। ৰাইডাং বঙালী গাঁৰৰ পথাৰত ১০০ গছি আকাশ বন্তি প্ৰজ্বলন কৰা হয়। অনুষ্ঠানত মহকুমা কৃষি বিষয়া ডঃ পৰাগজ্যোতি শইকীয়া, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া দণ্ডেশ্বৰ ভঁৰালী, ডুমডুমাৰ কৃষি উন্নয়ন বিষয়া ডঃ উদ্দীপন ৰাজকোঁৱৰ, হাপজান কৃষি উন্নয়ন বিষয়া মেঘ্না শইকীয়া, এনএফএছএমৰ পৰামৰ্শদাতা ভৱেশ গগৈ, মেডিয়া বিশেষজ্ঞ প্ৰেমানন্দ দাস, সহ-কৃষি পৰিদৰ্শক ক্ৰমে জিতেন বৰুৱা, উত্তম কটকী, বি টি এম, এ টি এম কৃষি সখী কৰবী সোণোৱাল আৰু জীৱিকা সখী ববী গগৈৰ লগতে শতাধিক কৃষক ৰাইজ উপস্থিত থাকে। শদিয়া সম-জিলা কৃষি বিভাগৰ উদ্যোগত আৰু ন-তৰাণি মধ্য ইংৰাজী বিদ্যালয়ৰ সহযোগত ন-তৰাণি মধ্য ইংৰাজী বিদ্যালয়ৰ খেলপথাৰতো কাতি বিহু পালন কৰা হয়।

# মৰিগাঁও কাৰাগাৰৰ দুই ৱাৰ্ডেনক নিলম্বন

**ই-সংবাদ, মৰিগাঁও, ১৭ অক্টোবৰঃ** মৰিগাঁও জিলা কাৰাগাৰৰ দুই ৱাৰ্ডেনক আজি চাকৰিৰ পৰা নিলম্বন কৰা হয়। নিলম্বিত এই ৱাৰ্ডেন দুজন হৈছে তপন ভূএগ্ৰা আৰু অৰূপ মালাকাৰ। তিনি তৰপীয়া নিৰাপত্তা বেষ্টু অতিক্ৰম কৰি মৰিগাঁও জিলা কাৰাগাৰৰ পৰা কেইদিনমান পূৰ্বে ৫টাকৈ কয়দীয়ে পলায়ন কৰিছিল। ঘটনা সন্দৰ্ভত কাৰাগাৰ বিভাগৰ উৰ্ধতন কৰ্তৃপক্ষই কৰা তদন্তৰ প্ৰতিবেদনৰ পিছতেই নিশা কৰ্তব্যৰত এই ৱাৰ্ডেন দুজনক নিলম্বন কৰা হয়। পূৰ্বে এই ঘটনা সংঘটিত হোৱাৰ পিছতেই তৎকালীনভাৱে কাৰাগাৰখনৰ জেইলৰ প্ৰশান্ত শইকীয়াক নিলম্বন কৰা হৈছিল।



মৰঙীত এসপ্তাহৰ ভিতৰত দুটাকৈ হাতীৰ মৃত্যু, ফটোঃ ই-সংবাদ, নুমলীগড়


# নগাঁৱৰ পশ্চিমাঞ্চলত ব্যাপক উলহ-মালহেৰে কাতি বিহুৰ পৰম্পৰা পালন ৰাইজৰ

**ই-সংবাদ, বেবেজীয়া, ১৭ অক্টোবৰঃ** গ্ৰামাঞ্চলৰ পথাৰে পথাৰে এতিয়া বিয়পি পৰিছে সজলধৰা ধানৰ সোণালী আভা। গতিকে একে এক প্ৰাণোজ্জ্বল পৰিবেশৰ মাজতে কৃষিজীৱি লোকৰ বুকুৰ আপোন খেতি-পথাৰ শস্য শ্যামলা হোৱাৰ কামনাৰে বৃহস্পতিবাৰে সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাবাসী লোকসকলেও উৎসাহ-উদ্দীপনাৰে পালন কৰে কাতি বিহু। তদনুযায়ী আগচোতালৰ তুলসী বৃক্ষৰ তলত আৰু খেতি-পথাৰত গৃহিনীয়ে চাকি-বন্তি জ্বলাই সেৱা আগবঢ়োৱাৰ বিপৰীতে এই বিহুৰ আনুষংগিক পৰম্পৰা হিচাপে কৃষিভূমিত লহপহকৈ বাঢ়ি অহা ধাননিডৰাত কৃষকে আকাশ বন্তি জ্বলায়। জিলাখনৰ বেবেজীয়াকে প্ৰমুখ্য কৰি ইয়াৰ দাঁতি কাষৰীয়া সকলো গ্ৰামাঞ্চলতে পূৰ্ব পৰম্পৰা অনুসৰি গঞাই থোৰ মেলা তথা গেৰ ধৰা ধানেৰে লহপহীয়া হৈ পৰা ধাননি পথাৰত অনিষ্টকাৰী পোক-পতংগৰ পৰা ৰক্ষা কৰিবলৈ চোৰা গছৰ ডাল পুতি আৰু জাকে জাকে যুৱক-যুৱতী তথা মহিলাৰ দল পথাৰলৈ গৈ হাঁহি-ধেমালীৰ মাজেৰে ৰবাব টেঙা খাই তাৰ বাকলিবোৰ ঠন ধৰি উঠা ধাননিডৰালৈ দলিয়াই দি আনন্দত আত্মহাৰা হৈ পৰে। তদুপৰি বয়োজ্যেষ্ঠসকলে সেউজীয়া ধাননি পথাৰৰ মাজে মাজে মাহ-শৰাই আৰু চাকি-বন্তি দিয়াৰ বিপৰীতে আকাশ বন্তি লগাই অনাগত দিনবোৰ ধনে-ধানে ভৰি পৰাৰ লগতে সুখ-শান্তি বিৰাজমান হোৱাৰ কামনাৰে প্ৰাৰ্থনা জনায়। আনকি কণ কণ শিশুসকলেও সন্ধিয়া তুলসীৰ তলে তলে নাম লগাই আনন্দ-স্ফূৰ্তিত মতলীয়া হৈ পৰা দৃশ্যই এক সুকীয়া পৰিবেশৰ সৃষ্টি কৰা পৰিলক্ষিত হয়।

## নলবাৰী জিলা কিষাণ সংঘৰ উদ্যোগত কাতি বিহু উদযাপন

**ই-সংবাদ, বৰমা, ১৭ অক্টোবৰঃ** আজি অসমীয়াৰ বাপতিসাহোন কাতি বিহু। ৰাজ্যজুৰি অতি উলহ-মালহেৰে পালন কৰা হৈছে কাতি বিহু। টিহুৰ সন্ধেলী মাক্ৰাপাৰতো ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ভাতৃ সংগঠন ভাৰতীয় কিষাণ সংঘৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত মাক্ৰাপাৰ পথাৰত অনুষ্ঠিত হয় কাতি বিহুৰ অনুষ্ঠান। নলবাৰী জিলা সমিতিৰ সম্পাদক ধ্ৰুৱ মেধিয়ে আঁতধৰা কাতি বিহুৰ অনুষ্ঠানৰ আৰম্ভণিতে ধাননি পথাৰৰ মাজত, ভাৰত মাতা আৰু কৃষকৰ ভগৱান বলোৰামৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ক্ৰমে সভাপতি তপন ডেকাই। ইয়াৰ পিছতেই মাক্ৰাপাৰ পথাৰত সামূহীয়া বন্তি প্ৰজ্বলন কৰা হয়। এই কাৰ্যসূচীত কৃষক মধু বৰ্মন, বৰপীত প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰন্তু ডেকা, সমাজকৰ্মী গৌৰী ঠাকুৰীয়া, যুৱ খেতিয়ক জিতু বেজবৰুৱা, মনোজ বড়োকে আদি কৰি ভালেসংখ্যক লোকে বন্তি প্ৰজ্বলন কৰে।

## বিহালীৰ পথাৰত চাকি-বন্তি জ্বলালে মন্ত্ৰী পীযুষ হাজৰিকাই



**ই-সংবাদ, বিশ্বনাথ, ১৭ অক্টোবৰঃ** বিহালীৰ হাতীবন্ধা গাঁৱত মন্ত্ৰী পীযুষ হাজৰিকাৰ কাতি বিহু পালন কৰে। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালীতো কাতি বিহুৰ ব্যাপক উছাহ দেখিবলৈ পোৱা গৈছে। আজি বিহালীৰ হাতীবন্ধা গাঁৱৰ শতাধিক পুৰুষ-মহিলা, আই মাতৃসকলৰ লগতে পথাৰত চাকি-বন্তি জ্বলাই অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকাই। গেৰ মেলা ধাননি ডৰা কোনোধৰণৰ বাধা-বিঘিনি নোহোৱাকৈ আঘোণত যাতে সোণগুটি চপাব পৰা যায় তাৰ বাবে মন্ত্ৰীগৰাকীয়ে নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা কৰে। ইফালে মন্ত্ৰীগৰাকীয়ে বিহালী বিধানসভা সমষ্টিত বিজেপিৰ জয় নিশ্চিত বুলিও দাবী কৰে। কেৱল বিজয়ৰ ব্যৱধান বৃদ্ধিৰ বাবেহে চেষ্টা চলাই আছে বুলি মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। মন্ত্ৰীগৰাকীক ভিভিত্ৰৰ্ষৰ বিষয়ে সাংবাদিকে প্ৰশ্ন কৰাত এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পৰা বিৰত থাকে। বিহালীৰ এই অনুষ্ঠানত মন্ত্ৰীগৰাকীক সংগ দিয়ে সাংসদ ৰঞ্জিত দত্ত আৰু বিহালীৰ উপ-নিৰ্বাচনৰ সম্ভাব্য প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰে।

## দুৰ্ঘটনাগ্ৰস্ত জলকীয়া ভৰ্তি বাহন খালী কৰিলে দুস্কৃতিকাৰীয়ে

**ই-সংবাদ, গোলকগঞ্জ, ১৭ অক্টোবৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত বিৰাট নগৰ চাৰিআলিৰ সমীপৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত পৰিবহণ বিভাগৰ বিষয়াই নথি-পত্ৰ পৰীক্ষাক লৈ নিশা ৭-১৫ বজাত সৃষ্টি কৰা যানজঁটৰ ফলত এখন বলেৰো পিকআপ ভেন পথৰ ওপৰতে বাগৰি পৰা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ মতে, ৭-১০ বজাত বিচনদৈ পঞ্চায়ত কাৰ্যালয়ৰ সন্মুখৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত ধুবুৰী জিলা পৰিবহণ বিভাগৰ ইন্টাৰছেপ্টৰ বাহন ৰখাই দুখন ট্ৰাক জব্দ কৰি চালকৰ লগত বাক-বিতণ্ডাত লিপ্ত হয়। কাজিয়া শুনি স্থানীয় ৰাইজ আগবাঢ়ি যোৱাত ট্ৰাক দুখন এৰি দি আগবাঢ়ি গৈ পুনৰ পূৰ্বৰ টোল গেটৰ কাষত ট্ৰাক দুখন জব্দ কৰে। ৰাইজৰ অভিযোগ মতে ধন বিচাৰি চালকৰ লগত কাজিয়া হয়। মুহূৰ্ততে ব্যস্ত পথটোত যানজঁটৰ সৃষ্টি হয়। পশ্চিমবংগৰ পৰা গৌৰীপুৰ অভিমুখী তীব্ৰবেগী জলকীয়া কঢ়িওৱা এএছ ১৭চি ৫৩৯৫ নম্বৰৰ বলেৰো পিকআপ ভেনখন যানজঁট অতিক্ৰম কৰিবলৈ ধৰোতে বিপৰীত দিশৰ পৰা অহা এখন ই-ৰিক্সাৰ মুখামুখি হয়। বাহনখন নিয়ন্ত্ৰণ হেৰুৱাই পথৰ ওপৰতে বাগৰি পৰে। অৱস্থা বিষম দেখি পৰিবহণ বিভাগৰ বিষয়াই বাহন লৈ পলায়ন কৰে। ইপিনে ঘটনাস্থলীৰ পৰা চাৰি মিটাৰ নিলগত থকা বিৰাট নগৰ চাৰিআলিৰ যানবাহন নিয়ন্ত্ৰণৰ দায়িত্বত থকা আৰক্ষী অহাৰ পৰা বিৰত থাকে। এঘন্টাৰ পিছতহে গোলকগঞ্জ থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। ইয়াৰ সুযোগ লয় দুষ্ট প্ৰকৃতিৰ লোকে জলকীয়াৰ বস্তা লৈ যাবলৈ হেতা-ওপৰা লগায়। মুহূৰ্তৰ ভিতৰতে জলকীয়াৰ বাহন খালী কৰি দিয়ে।

# তামুলপুৰৰ পথাৰত কাতি বিহু পালন তামুলপুৰ মহকুমা কৃষি বিভাগৰ




**ই-সংবাদ, তামুলপুৰ, ১৭ অক্টোবৰঃ** পথাৰৰ শস্য প্ৰাপ্তিৰ কামনাৰে সমগ্ৰ অসমবাসীয়ে আজি পালন কৰিছে অসমীয়াৰ বাপতি সাহোন কাতি বিহু। অসম চৰকাৰৰ আহ্বানত তৃতীয়বাৰৰ বাবে আজি তামুলপুৰ মহকুমা কৃষি বিভাগৰ উদ্যোগত তামুলপুৰ জিলা প্ৰশাসনৰ সহযোগত চকামাৰী পথাৰত আজি বিয়লি কাতি বিহু উদযাপন কৰা হয়। তদুপলক্ষে আবেলি কৃষি মহকুমা বিষয়া ত্ৰিকেন্দ্ৰজিৎ তালুকদাৰৰ উপস্থিতিত এখন সজাগতা সভাৰ আয়োজন কৰা হয়। কৃষি সম্প্ৰসাৰণ সহায়ক ৰজনী বৰ্মনে আঁত ধৰা সভাত তামুলপুৰৰ তিনিগৰাকী প্ৰগতিশীল কৃষকক বিভাগৰ পৰা কাতি বিহু উপলক্ষে সম্বৰ্ধনা জনোৱাৰ লগতে আন কেবাগৰাকী কৃষকৰ মাজত শস্যৰ বীজ আৰু ঔষধ ছটিওৱা মেচিন প্ৰদান কৰা হয়। সভাত তামুলপুৰ জিলাৰ সহকাৰী আয়ুক্ত ক্ৰমে হেমাশ্ৰী খনিকৰ, ড° দীপাংকৰ নাথ, বিটিআৰৰ পাৰিষদ হেমন্ত কুমাৰ ৰাভা, তামুলপুৰ জিলা ইউপিপিএলৰ কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক বানেশ্বৰ বড়ো, ভিচিডিচিৰ উপাধ্যক্ষ বিপুল শৰণীয়া, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া নিৰোদ নাথ, মৃণালেন্দ্ৰ দেৱ শৰ্মা, কৃষি উন্নয়ন বিষয়া কৌস্তৱ কিশোৰ দাস, ভনিতা বৰুৱা, জিনামণি লহকৰ, কমুডিটি চমুৱা, দানসাৰাং বসুমতাৰী প্ৰমুখ্যে কেবাগৰাকী কৃষি সম্প্ৰসাৰণ সহায়ক উপস্থিত থাকে। অনুষ্ঠানত বিটিচিৰ মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভাৰ লগতে বিশিষ্ট ব্যক্তি সকলে সন্ধিয়া কাতি বিহু উপলক্ষে তুলসীৰ তলত চাকি বন্তি প্ৰজ্বলন কৰাৰ লগতে সমূহীয়াকৈ আকাশ বন্তি জ্বলাই ৰাজ্যখনৰ জনসাধাৰণৰ স্বাৰ্থত কৃষি আৰু কৃষকৰ বাবে সফলতা তথা মংগল কামনা কৰে।

# ডুমডুমাৰ সৰবৰহী মহিলা বিবান ডেকাৰ মৃত্যুত শোকৰ ছাঁ

**ই-সংবাদ, ডুমডুমা, ১৭ অক্টোবৰঃ** চাহনগৰী ডুমডুমাৰ গঙ্গাধৰ পথ নিবাসী সৰবৰহী মহিলা বিবান ডেকাৰ দেহাৱসান ঘটিছে। নিশা ৯:১৫ বজাত বাৰ্ধক্যজনিত কাৰণত মৃত্যু ঘটে বিবান ডেকাৰ। মৃত্যুৰ সময়ত বয়স হৈছিল ৯২ বছৰ। বিবান ডেকাৰ মৃত্যুত ডুমডুমাৰ লগতে ওপজা গাঁও পাণ্ডুলাত (নলবাৰী) শোকৰ ছাঁ পৰিছে। ডুমডুমা অসমীয়া পূজা, নাট্য মন্দিৰ সমিতি আৰু ডুমডুমা নামঘৰৰ মহিলা সমাজৰ সক্ৰিয় সদস্যা আছিল। ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতি, ডুমডুমা নাগাৰা নাম সংঘ, ডুমডুমা নামঘৰ, ডুমডুমা শাখা সাহিত্য সভা, ডুমডুমা প্ৰেছ ক্লাব, ডুমডুমা জ্যেষ্ঠ নাগৰিক সংস্থা, লেখিকা সমাৰোহৰ ডুমডুমা শাখা, ডুমডুমা ক্ৰীড়া সন্থা, ডুমডুমাৰ ৰামধেনু মহিলা চ'ৰা, শংকৰী কলা-কৃষ্টি বিকাশ মঞ্চ, ইলোৰা বিজ্ঞান মঞ্চৰ ডুমডুমা শাখা, ডুমডুমা ৰাজহুৱা ৰঙালী বিহু উদযাপন সমিতি, আজাড ৰোড কালী মন্দিৰ সমিতি, ডুমডুমা শিৱ মন্দিৰ সমিতি, ৰাৰিৱৰ্চৰ ডুমডুমা আঞ্চলিক সমিতি, ৰামকৃষ্ণ সেৱাশ্ৰম, ডুমডুমা ৰ'টাৰী ক্লাব, অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখা ,লায়ন্স ক্লাব অব ডুমডুমা টি.চিটি, ডুমডুমা দুৰ্গাবাৰী সমিতি, আজাড ৰোড শিৱ মন্দিৰ সমিতি আদিয়ে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।


## উদুলি-মুদুলি হ'ব গান্ধী ময়দান

# ৮ ডিচেম্বৰৰ পৰা ১৪ ডিচেম্বৰলৈ মঙলদৈ গ্ৰন্থমেলা

**ই-সংবাদ, মঙলদৈ, ১৭ অক্টোবৰঃ** মঙলদৈ প্ৰেছ ক্লাবৰ উদ্যোগত সদৌ অসম গ্ৰন্থ প্ৰকাশন আৰু বিক্ৰেতা সন্থাৰ সহযোগত ২০২১ বৰ্ষৰ পৰা মঙলদৈ গান্ধী ময়দানত অনুষ্ঠিত হৈ অহা মঙলদৈ গ্ৰন্থ মেলাখনি এইবাৰ সাতদিনীয়া কাৰ্যসূচীৰে অহা ৮ ডিচেম্বৰৰ পৰা ১৪ ডিচেম্বৰলৈ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আজি মঙলদৈ নাট্য মন্দিৰত বিগত বছৰৰ উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাই এই উপলক্ষ্যে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াক সভাপতি, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ছিপাঝাৰ বিধান সভা সমষ্টিৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী আৰু ৰাজেন্দ্ৰ নাথ হাজৰিকাক কাৰ্যকৰী সভাপতি, ৰাজীৱ কুমাৰ ডেকাক সাধাৰণ সম্পাদক হিচাপে হিচাপে লৈ এখন গ্ৰন্থমেলা পৰিচালনা সমিতি গঠন কৰে। মঙলদৈ প্ৰেছ ক্লাবৰ সভাপতি হোমেন কাকতি আৰু সাধাৰণ সম্পাদক লক্ষীনন্দন কলিতাই আঁতধৰা সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক যাদৱ শৰ্মা, দৰং জিলা সাহিত্য সভাৰ সভাপতি ৰজনীকান্ত নাথ, প্ৰাক্তন সভাপতি ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, ডঃ চহিৰ ভূঞা, ডঃ ৰামচন্দ্ৰ ডেকা, অসম সাহিত্য সভাৰ মঙলদৈ আঞ্চলিক কাৰ্য্যালয়ৰ সম্পাদক সৎৰাম ডেকা, অসম মহিলা আয়োগৰ উপাধ্যক্ষা নীলিমা দেৱী, নতুন দ্যৌৰঙ্গ বাৰ্তাৰ সম্পাদক শংকৰ কাকতি, সমাজকৰ্মী অমৰেন্দ্ৰ শৰ্মা, বঙাইগাঁও জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্তা ভৱেন বৰ্মন, বিশিষ্ট চিকিৎসক ডাঃ মৃন্ময় কুমাৰ নাথ, অসম বাৰ্তাজীৱী সংঘৰ ৰাজ্যিক সাধাৰণ সম্পাদক মুকুট ৰাজ শৰ্মা, মঙ্গলদৈ ইলেকট্ৰনিক মিডিয়া ফ'ৰামৰ সম্পাদক নৰজ্যোতি মহন্তই অংশগ্ৰহণ কৰে। আজিৰ সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন সাংগঠনিক সম্পাদক ৰাণা আলম ,সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হৃদয় বৰুৱা, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য মুকুট চন্দ্ৰ হাজৰিকা, দৰং জিলা কবি সমাজৰ বিষয়ববীয়া প্ৰফুল্ল দেৱ শৰ্মা প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে গ্ৰন্থমেলাখনি সাফল্যমণ্ডিত কৰি তোলাৰ অৰ্থে ভালেমান পৰামৰ্শ আগবঢ়ায়।

## নগঞাৰ মানসপটত সদায়ে সজীৱ এটা দিন-১৮ অক্টোবৰ

# তেজেৰে ৰাঙলী হোৱা কৃষক বিদ্ৰোহৰ এক অধ্যায় ফুলগুৰি ধেৱা



**ই-সংবাদ, বেবেজীয়া, ১৭ অক্টোবৰঃ** নগাঁও জিলাবাসীৰ মানসপটৰ পৰা হেৰাই যাব নোৱাৰা এটি দিন হ'ল ১৮ অক্টোবৰ। সেই দিনটোতে বহুকেইজন নিৰীহ নগঞা কৃষকৰ বুকুৰ কেঁচা তেজেৰে ৰাঙলী হৈ পৰিছিল গৃহভূমি। ব্ৰিটিছ শাসকৰ বিৰুদ্ধে নগঞা কৃষকৰ সংগ্ৰামী ইতিহাসৰ অন্য এক গৌৰবোজ্জল অধ্যায় বুলি যাক সকলোয়ে আজিও স্মৰণ কৰি আহিছে। সেইটোয়েই হৈছে 'ফুলগুৰি ধেৱা'। যাৰ লগত সাঙুৰ খাই আছে অত্যাচাৰী ইংৰাজৰ অন্যায়-উৎপীড়নৰ বিৰুদ্ধে ঠিয় দি প্ৰাণ আহুতি দিয়া ৫৪ গৰাকী ছহিদৰ সকৰুণ কাহিনী। ১৮৬১ চনৰ ১৮ অক্টোবৰত নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ ফুলগুৰিত ব্ৰিটিছ চৰকাৰে শোষণ, দমন আৰু অন্যায়ভাবে সংগ্ৰহ কৰা ৰাজহ ব্যৱস্থাৰ বিৰুদ্ধে যুঁজ দিবলৈ গৈ আত্মবলিদান দিয়া কৃষক ৰাইজৰ এই বিদ্ৰোহ 'ফুলগুৰি ধেৱা' ৰূপে খ্যাত। সেইসময়ত ইংৰাজে আফুখেতি নিষিদ্ধ, চাপৰি মাটিৰ খাজানা অস্বাভাৱিক হাৰত বৃদ্ধি, উৎপাদিত সামগ্ৰীৰ ওপৰত জিজিয়া কৰ লগাই অসমবাসীক কৌশলেৰে দমন কৰি ৰাখিছিল। ব্ৰিটিছৰ এনে কাৰ্যৰ বিৰুদ্ধে সমগ্ৰ অসমৰ চুকে-কোনে প্ৰতিবাদৰ তীব্ৰ ঢৌ বিয়পি পৰিছিল। ব্ৰিটিছে অন্যায়ভাবে প্ৰয়োগ কৰা এনে কৰ শীঘ্ৰে বাতিল কৰিবৰ বাবে দাবী জনাই অসমৰ আন ঠাইৰ দৰে ফুলগুৰিৰ ৰাইজেও বিদ্ৰোহ ঘোষণা কৰিছিল। কিন্তু অসমবাসীৰ দাবীৰ প্ৰতি তিলমানো গুৰুত্ব নিদি ব্ৰিটিছে বিদ্ৰোহ দমন কৰাৰ কাৰণেহে উঠি পৰি লাগে। প্ৰতিবাদী ৰাইজৰ বিদ্ৰোহ দমনৰ অৰ্থে ১৮৬১ চনৰ ১৭ ছেপ্টেম্বৰ আৰু ৯ অক্টোবৰত আন্দোলনকাৰী জনতাৰ ওপৰত অবৰ্ণনীয় নিৰ্যাতন চলায়। ব্ৰিটিছৰ এনে নিৰ্যাতনত ভীতিগ্ৰস্ত নহৈ প্ৰতিবাদী ৰাইজে আগতকৈও অধিক জেদী হৈ উঠে আৰু নানা ধৰণৰ দমন, উৎপীড়নেও সেও মনাব নোৱাৰা কৃষক ৰাইজে ১৮ অক্টোবৰত পূৰ্বতকৈও অধিক সংগঠিত আৰু শক্তিশালী ৰূপত প্ৰতিবাদ জনাবৰ বাবে আগবাঢ়ি আহে। সেইদিনা ফুলগুৰিৰ বৰ আঁহতৰ তলত ফুলগুৰিকে ধৰি কটহগুৰি, বাৰপূজীয়া, কাছমাৰী, হাতীচোং, ডিমৌ, দেওবালি, জাগিয়াল, হাৰিয়ামুখ, মায়ং, গোভা, মোলানকাটা, ৰামহাং আটি, চহৰী, ম'ৰাগাঁও, ৰহা, কপিলী, টোপাকুছি, কুমৈ, উত্তৰখোলা, জুপহিতলি, বমৰা আদি অঞ্চলৰ পৰা হাজাৰ হাজাৰ কৃষক ৰাইজ আহি সমবেত হৈ ইংৰাজৰ অন্যায় নীতিৰ বিৰুদ্ধে ৰাইজমেল অনুষ্ঠিত কৰে। কৃষক ৰাইজৰ এনে বিদ্ৰোহৰ বিষয়ে বুজ ল'বলৈ অহা ইংৰাজ বিষয়া চিংগাৰক তেওঁৰ পাশৱিক অত্যাচাৰত অতিষ্ঠ হৈ পৰা ক্ষোভিত ৰাইজে কোবাই কোবাই সেই দিনাই হত্যা কৰে আৰু মৃতদেহটো কলং নৈত উটুৱাই দিয়ে। এই খবৰ ব্ৰিটিছ কৰ্তৃপক্ষই জানিব পাৰি অনতিপলমে দলে-বলে আহি উক্ত স্থানত উপস্থিত হয় আৰু ৰাইজে পুনৰ পিছদিনা একে ঠাইতে সমবেত হৈ প্ৰতিবাদী সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱাৰ সময়তে সশস্ত্ৰ ইংৰাজবাহিনীয়ে ৰাইজৰ ওপৰত অতৰ্কীতে কোনো কথাৰ অৱতাৰণা নকৰি নিৰ্বিচাৰে গুলীচালনা কৰে। বৰ্বৰভাবে চলোৱা এই নৃশংস গুলিচালনাত ৩৯ জন নিৰীহ কৃষকে ঘটনাস্থলীতে কৰুণ মৃত্যুক আঁকোৱালি লয়। তদুপৰি ব্ৰিটিছ বাহিনীয়ে ৬৬ জন লোকক আটক কৰি ইয়াৰে ৩২ জনক কলিয়াপানীলৈ প্ৰেৰণ কৰে। আনকি ইয়াৰ পিছতো ইংৰাজে ফুলগুৰি অঞ্চলৰ আন ১৫ জন লোকক নৃশংসভাবে হত্যা কৰিছিল। এয়াই আছিল গা শিহৰিত কৰি তোলা ফুলগুৰি ধেৱাৰ অতি নিদাৰুণ তথা জীৱন্ত কাহিনী। কোৱা বাহুল্য মাথোন, ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পিছত মহাবাহু ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত সংঘটিত হোৱা ফুলগুৰি ধেৱাই প্ৰথম কৃষক বিদ্ৰোহ বুলি অভিহীত কৰিব পাৰি। কিন্তু অতি পৰিতাপৰ বিষয় যে সুদীৰ্ঘ ১৬৩ বৰ্ষ পাৰ হোৱাৰ পিছতো ফুলগুৰি ধেৱাই হ'লে ভাৰতৰ ইতিহাসত উপযুক্ত স্থান অধিকাৰ কৰিবলৈ সক্ষম নহ'ল। এনে এটি কৃষক বিদ্ৰোহে যি দৰে ভাৰতৰ ইতিহাসত গুৰুত্বপূৰ্ণ স্থান পাব লাগিছিল সেইটো লক্ষণীয়ভাবে আজিও নাপালে।

# ৰঙিয়াৰ তুলসীবাৰীত কৃষি বিভাগৰ সৌজন্যত কাতি বিহু উদযাপন, কৃষকক কৃষি সঁজুলি বিতৰণ

**ই-সংবাদ, ৰঙিয়া, ১৭ অক্টোবৰঃ** কামৰূপ জিলা কৃষি বিভাগৰ সৌজন্যত তথা ৰঙিয়া মহকুমা কৃষি বিভাগৰ উদ্যোগত আজি তুলসীবাৰী গৰখীয়া গোপাল মাৰলী থানত কাতি বিহু উদযাপন কৰা হয়। মহকুমা কৃষি বিষয়া দুৰ্লভ দাসে আত ধৰা মুকলি সভাত অংশগ্ৰহণ কৰে স্থানীয় বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই। ভাষণ প্ৰসংগত কলিতাই কয় যে সম্প্ৰতি কৃষি খণ্ডত নিয়োজিত খেতিয়কসকলে ধানৰ উচিত মূল্য লাভ কৰিবলৈ সক্ষম হৈছে। অকল সেয়াই নহয়, সৰিয়হকে ধৰি প্ৰতিবিধ উৎপাদিত সামগ্ৰীৰ উচিত মূল্য কৃষিজীৱি লোকে লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজ্য চৰকাৰৰ পদক্ষেপৰ অংশ হিচাবে কৃষি আমাৰ, ধান আমাৰ, পথাৰ আমাৰ। সেয়েহে কৃষিৰ আন এক বৃহৎ উৎসৱ কাতি বিহুৰ পৰম্পৰা আমি সকলোৱে ধৰি ৰাখিব লাগিব বুলি ভাষণ প্ৰসংগত আহ্বান জনাই ভৱেশ কলিতাই। আনহাতে সভাত কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই প্ৰথমবাৰৰ বাবে



কাতি বিহুৰ পৰিৱেশ ৰঙিয়াত উপভোগ কৰিবলৈ পাই আনন্দ প্ৰকাশ কৰে। কৃষি খণ্ডত কাতি বিহুৰ প্ৰাসংগিকতা সম্পৰ্কেও ভাষণ প্ৰসংগত আলোকপাত কৰে মিশ্ৰই। একেখন মঞ্চতে কৃষি বিভাগৰ উদ্যোগত কৃষক সজাগতা সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাতে কেবাগৰাকী কৃষকৰ মাজত ফচল বীমা যোজনাৰ প্ৰমাণ পত্ৰ আৰু কৃষি সঁজুলিও বিতৰণ কৰা হয়। আয়তীৰ নাম, বিহু নৃত্য-গীতেৰে মুখৰিত পৰিৱেশত ৰঙিয়া সমজিলা আয়ুক্ত দেৱাশীষ গোস্বামী, কামৰূপ জিলা কৃষি বিষয়া ধীৰেন কাৰ্জি, অতিৰিক্ত জিলা আয়ুক্ত কমল বৰা, চক্ৰ বিষয়া দেৱাশীষ বৰঠাকুৰো উপস্থিত থাকে। ইফালে কাতি বিহুৰ পৰম্পৰা অক্ষুন্ন ৰাখি তুলসীবাৰী গৰখীয়া গোপাল মাৰলী থানৰ সংলগ্ন বিশাল কৃষি পথাৰত ৫০০ গচি বন্তিৰ লগতে আকাশবন্তিও প্ৰজ্বলন কৰা হয়।

# ৰাইজৰ দলৰ ধুবুৰী জিলা সমিতিৰ উদ্যোগত বিলাসীপাৰাত বৰ্ধিত কাৰ্যনিৰ্বাহক সভা

**ই সংবাদ, বিলাসীপাৰা, ১৭ অক্টোবৰঃ** বিলাসীপাৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত বিলাসীপাৰা ৰাজহুৱা গ্ৰন্থাগাৰ কাৰ্যালয় প্ৰাংগণত ৰাইজৰ দলৰ ধুবুৰী জিলা সমিতিৰ উদ্যোগত বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায়। সভাত সভাপতিত্ব কৰে ৰাইজৰ দলৰ ধুবুৰী জিলা সমিতিৰ সভাপতি জামাল হকে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰাইজৰ দলৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক মনচুৰ ৰহমানে। সভাত সম্বৰ্ধনা পৰ্ব পাঠ কৰে ৰাইজৰ ধুবুৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক গিয়াছ উদ্দিন সেখে। উক্ত ৰাইজৰ দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক আশ্ৰাফুল ইছলাম, ৰাইজৰ দলৰ নৱ নিযুক্ত কেন্দ্ৰীয় সাংগঠনিক সম্পাদক মোছলেম উদ্দিন চৌধুৰী, ৰাইজৰ দলৰ  নাৰী বাহিনীৰ সাংগঠনিক সম্পাদিকা মমী ৰায় আদিয়ে কাৰ্যনিৰ্বাহক সভাত উপস্থিত থাকি আগন্তুক পঞ্চায়ত নিৰ্বাচন আৰু ২০২৬ৰ বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি দলৰ সাংগঠনিক দিশ অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে বিস্তাৰিত ভাষণ প্ৰদান কৰে। উক্ত সভাত ৰাইজৰ দলৰ নৱনিযুক্ত কেন্দ্ৰীয় সাংগঠনিক সম্পাদক মোছলেম উদ্দিন চৌধুৰীক সম্বৰ্ধনা জ্ঞাপন কৰে। লগতে সভাখনত নাজমি বেগমক সভানেত্ৰী আৰু মুচকা পাৰবিনক সাধাৰণ সম্পাদিকা হিচাপে লৈ ৩১ জনীয়া ৰাইজৰ দলৰ ধুবুৰী জিলা জাতীয়তাবাদী নাৰী বাহিনীৰ সমিতি গঠন কৰা হয়। উক্ত সভাত ৰাইজৰ দলৰ ধুবুৰী জিলাৰ বিভিন্ন পৰ্য্যায়ৰ কৰ্মকৰ্তা সকলে উপস্থিত থাকি সভাৰ কাম সাফল্যমণ্ডিত কৰি তোলে।




ৰাইজৰ দলৰ ধুবুৰী জিলা সমিতিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত উপস্থিতসকলৰ একাংশ

# হাজোৰ ৰামদিয়াত কাতি বিহু পালন



**ই-সংবাদ, হাজো, ১৭ অক্টোবৰঃ** জাতীয় সংস্কৃতি, পৰম্পৰাৰে আজি সমগ্ৰ ৰাজ্যতে পালন কৰা হৈছে অসমীয়াৰ বাপতিসাহোন কাতি বিহু অৰ্থাৎ কঙালী বিহু। সুকীয়া সুকীয়া ৰীতি-নীতি পৰম্পৰাৰে ভিন্ন ঠাইত প্ৰতিজন চহা অসমীয়াই উদযাপন কৰিছে কাতি বিহু। ইয়াৰ সমান্তৰালভাৱে বৃহত্তৰ কামৰূপ জিলাৰ সত্ৰনগৰী ৰামদিয়াতো দেখা গৈছে কাতি বিহুৰ ৰীতি-নীতি পৰম্পৰা। প্ৰতিজন অসমীয়াৰ লগতে চহা কৃষক সকলে নিজৰ পথাৰ খনত আকাশ বন্তি জ্বলাই, শৰাই আগবঢ়ায় খেতি দৰাৰ শ্ৰীবৃদ্ধিৰ লগতে দেশ তথা দহৰ মংগল কামনা কৰে। আনহাতে প্ৰতিঘৰ অসমীয়াৰ ঘৰে ঘৰে তুলসী গছৰ তলত চাকি-বন্তি জ্বলাই ভঁৰাল ঘৰ ভৰি পৰাৰ লগতে সকলোৰে মংগল কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

# শেষ পৃষ্ঠা

## ৰাষ্ট্ৰীয় দবা, যোগাসন

# পুৰণিগুদামলৈ গৌৰৱ কঢ়িয়ালে ৩ শিক্ষাৰ্থীয়ে

**ই-সংবাদ, পুৰণিগুদাম, ১৭ অক্টোবৰঃ** বিহাৰৰ পাটনাত অলপতে অনুষ্ঠিত হোৱা বিদ্যা ভাৰতীৰ ৰাষ্ট্ৰীয় দবা খেল প্ৰতিযোগিতাত বিদ্যা ভাৰতীৰ পূৰ্বোত্তৰ ক্ষেত্ৰই কেইবাটাও পদক লাভ কৰিবলৈ সক্ষম হৈছে। এই প্ৰতিযোগিতাত ১৭ বছৰ অনূৰ্ধ্বৰ ল'ৰা শাখাত শংকৰদেৱ বিদ্যানিকেতন, পুৰণিগুদামৰ দশম শ্ৰেণীৰ ছাত্ৰ বিদ্যুৎ ৰঞ্জন বৰাই দ্বিতীয় স্থান লাভ কৰি ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। লগতে উত্তৰ প্ৰদেশৰ গাজিয়াবাদৰ হেমৰাজ নিয়াস সৰস্বতী বিদ্যা মন্দিৰত অনুষ্ঠিত অখিল ভাৰতীয় শিশু শিক্ষা সমিতিৰ দ্বাৰা আয়োজিত ৩৫ সংখ্যক ৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতাত বিভিন্ন প্ৰান্তৰ পৰা অংশগ্ৰহণ কৰা মুঠ ৩২ গৰাকী খেলুৱৈৰ ভিতৰত ১৭ বছৰ অনূৰ্ধ্বৰ উত্তৰ অসম প্ৰান্তৰ পৰা শংকৰদেৱ বিদ্যানিকেতন, পুৰণিগুদামৰ নৱম শ্ৰেণীৰ ছাত্ৰী সৃষ্টি হাজৰিকাই দ্বিতীয় স্থান লাভ কৰাৰ লগতে ১৪ বছৰ অনূৰ্ধ্বৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী হিমাশ্ৰী বৰাই তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। শংকৰদেৱ বিদ্যানিকেতন, পুৰণিগুদামৰ তিনিগৰাকী ছাত্ৰ-ছাত্ৰীৰ এই সফলতাই বিদ্যালয়খনৰ লগতে বৃহত্তৰ পুৰণিগুদাম অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। সফল শিক্ষাৰ্থী ৩ গৰাকীক অঞ্চলবাসীয়ে অভিনন্দন জনাইছে।

# আইদেউবাৰীত প্ৰাইজমানি ফুটবল

**ই-সংবাদ, আমগুৰি, ১৭ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ নামতি সমীপৰ আইদেউবাৰী ফুটবল ক্লাবৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত সদৌ অসম ভিত্তিত তৃতীয় বাৰ্ষিক আইদেউ কাপ প্ৰাইজমাণি আৰু ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। অহা ৩ নৱেম্বৰৰ পৰা ২৪ নৱেম্বৰলৈকে আইদেউবাৰী উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনৰ বাবে ইতিমধ্যে সঞ্জীৱ গগৈক সভাপতি, অৰবিন্দ হাতীমূৰীয়া, প্ৰিয়াংকু লাহনক যুটীয়া সম্পাদক, ইন্দ্ৰজিত বৰুৱা আৰু বিকাশ হাতীমূৰীয়াক ক্ৰীড়া সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰিছে। উক্ত প্ৰতিযোগিতাৰ সৰ্বমুঠ প্ৰাইজমাণি এক লাখ টকা। সবিশেষ জানিবৰ বাবে ৯৯৫৪৯৪১৩৬৬ অথবা ৮৬৩৮৯৮৭১৭১ নম্বৰত যোগাযোগ কৰিব পাৰিব।




শক্তিশালী অষ্ট্ৰেলিয়াক পৰাভূত কৰি ফাইনেলত প্ৰৱেশৰ পিছতে দক্ষিণ আফ্ৰিকাৰ খেলুৱৈসকলৰ উল্লাস

## ৮ উইকেটত পৰাস্ত ৬বাৰৰ বিশ্ব চেম্পিয়ন অষ্ট্ৰেলিয়া

# মহিলা টি-২০ বিশ্বকাপৰ ফাইনেলত দক্ষিণ আফ্ৰিকা

**ডুবাই, ১৭ অক্টোবৰঃ** মহিলা ক্ৰিকেটত অষ্ট্ৰেলিয়াৰ আধিপত্য দীৰ্ঘদিন ধৰি চলি আহিছে। ৮খন টি-২০ বিশ্বকাপৰ ভিতৰত ৬ খনতে জয় লাভ কৰিছে দলটোৱে। অষ্ট্ৰেলিয়া মহিলা দলে বিগত তিনিবাৰকৈ টি-২০ বিশ্বকাপত জয়লাভ কৰিছে। ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাই সেই অষ্ট্ৰেলিয়াক ৮ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। পুৰুষৰ পিছত দক্ষিণ আফ্ৰিকাৰ মহিলা দলটোৱেও টি-২০ বিশ্বকাপৰ ফাইনেলত উপনীত হৈছে। ছেমি ফাইনেলৰ আজিৰ মেচখনত অষ্ট্ৰেলিয়াই প্ৰথমে বেটিং কৰে। বেথ মুনী, টাহলিয়া মেকগ্ৰাথ, এলিছ পেৰীৰ সৈতে অষ্ট্ৰেলিয়াৰ বেটিং বিভাগে ১৩৪ ৰানতকৈ অধিক ৰান কৰিব নোৱাৰিলে। দক্ষিণ আফ্ৰিকাৰ বলাৰসকলে মাত্ৰ ৫টা উইকেটহে লৈছিল যদিও ৰান কৰাৰ সুযোগ নিদিলে। মেৰিজেন কাপ, আয়াবাংগা খাকাৰাই কেতিয়াও বেটাৰসকলক আক্ৰমণকাৰী হ'বলৈ নিদিলে। ফলত হাতত উইকেট থাকিও অষ্ট্ৰেলিয়াই অধিক ৰান কৰিব নোৱাৰিলে। দক্ষিণ আফ্ৰিকাৰ সমুখত লক্ষ্য আছিল ১৩৫ ৰান। ২০ অভাৰত সেয়া বৰ কঠিন নহয়। কিন্তু যদি প্ৰতিদ্বন্দ্বী অষ্ট্ৰেলিয়া হয় তেন্তে সেয়া ইমানো সহজ নহয়। কিন্তু দক্ষিণ আফ্ৰিকাৰ অ'পেনাৰ ল'ৰা উলৱৰ্থ (৪২) আৰু তৃতীয় নম্বৰৰ এনেকে বস্কে (৭৪ ৰানত অপৰাজিত) মিলি সেয়া সহজ কৰি তুলিলে। মেচখনত ১৬টা বল বাকী থকা অৱস্থাত দক্ষিণ আফ্ৰিকাই ৮ উইকেটত জয়লাভ কৰে। দক্ষিণ আফ্ৰিকাই ছেমিত অষ্ট্ৰেলিয়াক পৰাস্ত কৰিব বুলি মেচ আৰম্ভ হোৱাৰ আগতে কোনেও অনুমান কৰা নাছিল যদিও শেষত দক্ষিণ আফ্ৰিকাই সাব্যস্ত কৰে বিজয়।

# বৰ্ষা বিঘ্নিত প্ৰথম টেষ্টত কিৱিৰ বিৰুদ্ধে ভাৰতৰ ছন্দপতন

**বাংগালুৰু, ১৭ অক্টোবৰঃ** বৰষুণৰ বাবে তিনিদিন ধৰি পিটিচ ঢাকি ৰখা হৈছিল। স্বাভাৱিক কাৰণতে খেলপথাৰত আছিল আৰ্দ্ৰতা। লগতে আকাশখনো ডাৰৰীয়া। ক্ৰিকেটৰ সাধাৰণ জ্ঞান থকা যিকোনো ব্যক্তিয়েই ক'ব যে এনে পৰিস্থিতিত টছত জয়ী হ'লে চকু মুদি প্ৰথমে বলিং লোৱা উচিত। ভাৰতীয় অধিনায়ক ৰোহিত শৰ্মাই ইয়াৰ হুবহু বিপৰীত কাম কৰিলে। টছত জয়ী হৈ বেটিঙৰ সিদ্ধান্ত লয় ঘৰুৱা দলটোৱে। ফলত ঘৰুৱা মাটিতে প্ৰতিপক্ষৰ সন্মুখত নিৰ্লজ্জ আত্মসমৰ্পণ কৰিবলগীয়া হয় ভাৰতে। বাংগালুৰুত নিউজিলেণ্ডৰ বিৰুদ্ধে বৰ্ষা বিঘ্নিত প্ৰথম টেষ্টৰ প্ৰথম ইনিংছত ৪৬ ৰানতে অলআউট হয় ভাৰত। দেশৰ মাটিত টেষ্ট খেলাৰ ৯২ বছৰীয়া ইতিহাসত এনেকুৱা কেতিয়াও হোৱা নাছিল। দিনটোৰ শেষত নিউজিলেণ্ডে ১৮০/৩ ৰান সংগ্ৰহ কৰি ১৩৪ ৰানত আগবাঢ়ি আছে। উল্লেখ্য যে ভাৰতে প্ৰথম ইনিংছত মাত্ৰ ৩১.২ অভাৰহে টিকি থাকিবলৈ সমৰ্থ হয়। নিউজিলেণ্ডৰ পেচাৰসকলৰ আক্ৰমণত একপ্ৰকাৰ দিশহাৰা হৈ পৰে ঘৰুৱা দলটো। ভাৰতৰ ভাগ্যও বেয়া। ইনিংছৰ মাজভাগত বৰষুণ দিলে। ইয়াৰ ফলত বেটিং অধিক কঠিন হৈ পৰিল। কেৱল সেয়াই নহয়, ভাৰতৰ ইনিংছৰ সময়ত আকাশো ডাৰৰীয়া হৈ আছিল। কিন্তু নিউজিলেণ্ডে ইনিংছ আৰম্ভ কৰাৰ লগে লগে খেলপথাৰত সূৰ্য্যৰ পোহৰ দেখা গ'ল। ইয়াৰ সম্পূৰ্ণ সুবিধা ল'লে কিৱি বেটছমেনসকলে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)